# প্ৰমোদ লহৰী

CURZON HALL LIBRARY
12 FEB.
GAUHATI

১ম তাঙৰণ।

১৯৩৫।

লিখক— শ্ৰীঅনন্ত চন্দ্ৰ ডেকা।

প্ৰকাশিকা— শ্ৰীপ্ৰতিমা সুন্দৰী ডেকা।

মূল্য ।॰ অনা মাত্ৰ।

PLEASE
UNDERLINE R MARK D
ANY PAGE R ICT
CURZON HALL LIBRARY-GAUHATI

## পাতনি।

জীৱন আনন্দময়। জীৱে সদায় বিচাৰে আনন্দ, এই আনন্দকে বিচাৰি উন্মত্ত হৈ জীৱ সংসাৰ ক্ষেত্ৰত নানা কাৰ্য্যত প্ৰবৃত্ত হয়। চিৰানন্দিত লোক দীৰ্ঘায়ু। যাৰ মনত দুখ কষ্টৰ ঠাই নাই তেঁৱেই সুখী।

সংসাৰৰ নানা হেচা খেলাত মানুহ ক্ৰমে আনন্দহীন হৈ আহিছে। লগে লগে যে ক্ষীণায়ু হৈছে তাতো সন্দেহ নাই। চাকৰি বা অন্য কাম কৰি খোৱা মানুহে আজৰি পৰতো আনন্দ কৰি জীৱক শান্তি দিয়া দেখা নাযায়। কৰ্ম্মত আনন্দ বিচাৰি পোৱা মানুহৰ সংখ্যা অতি কম বিশেষ কৰ্ম্মশীল মানুহৰ কাম কৰোতে অঙ্গ প্ৰত্যঙ্গ অৱশ হৈ পৰে। অঙ্গ প্ৰত্যঙ্গৰ শিথিলতাৰ লগে লগে মনৰো অৱসাদতা আহি পৰে।

প্ৰমোদ লহৰী আনন্দ কল্পতৰু। পাঠক সকলে নানা দুখৰ মাজতো আনন্দ পাব বুলি আশা কৰা যায়। ইয়াক অকলে পঢ়িলে, বন্ধু বান্ধৱৰ লগত পঢ়িলে বা ইয়াত থকা কথা বিলাকৰ বিষয়ে ভাবিলে অথবা সমনীয়া আদিৰ লগত ইয়াত থকা কথা পাতিলে, শ্ৰোতা বক্তা উভয়ৰে মনৰ খেদ আঁতৰিব। অন্ততঃ ক্ষণিক আনন্দ উদ্ভৱ হব। এই ক্ষণিক আনন্দৰ পৰাও উপকাৰ আশা কৰিব পাৰি।

শ্ৰীঅনন্ত চন্দ্ৰ ডেকা

## মুখ বন্ধ।

না না তৰহৰ ছাত্ৰৰ এখন পঢ়াশালি আছে। অনেক ছাত্ৰ বন্ধু তাত গোট খাইছে। কিছুমান পাঠশালা আৰু মজলীয়া পৰীক্ষা পাছ, কিছুমান বিশ্ব বিদ্যালয়ৰ বি. এ এম্. এ আৰু কিছুমান ইহঁতৰ পাছত বি, এল যোগ থকা উপাধিধাৰী, কিছুমান তীর্থ ৰত্ন, ভূষণ, বিনোদ, বিষাৰদ, শেখৰ, চঞ্চু, শিৰোমণি বাগীশ, বালিশ, গাৰু লেপ, আৰু তল পৰা প্ৰভৃতি উপাধি প্ৰাপ্ত, বেচি ভাগেই গাৱলীয়া সমাজৰ পৰা সোৱোপা উপাধি পাওৱা; বহুত নগৰীয়া "টটোকোম্পানীৰ মেনেজাৰ" উপাধিধাৰী।

ছাত্ৰৰ সংখ্যা ক্ৰমাগ্বয়ে বাঢ়িব ধৰিছে। ঘৰটো সাত তালাকৈ সাজাইছোঁ। ন খান দুৱাৰ খুৱাই দিয়া হৈছে দুখান সদায় উধাৰ পৰা মধ্যাৰে খোলা থাকে। ইচ্ছামতে মেলা জপোৱা কৰা যায়। দুখান দুৱাৰ সম্মুখত অকাপকাকৈ দি ভিতৰত পৰদা লগাই দিছোঁ। দুখান দুৱাৰ জাপ যায়, মেল খায় আৰু জাপ যায় থিৰে নাথাকে! আৰু দুখন দুৱাৰ আছে তাৰে ওলাইছে, কোনো সুস্নুমায়। এই দুৱাৰেদি ঘৰৰ ভিতৰৰ জাবৰ ভুহুৰ পেলোৱা হয়! খিড়িকি অসংখ্য আছে। ঘৰৰ ভিতৰলৈ সুন্দৰকৈ পোহৰ আৰু বতাহ চলাচল কৰিব পাৰে। স্বাস্থ্যৰ ব্যঘাত হোৱাৰ অলপো ভয় নাই। ঘৰটো দুখন তক্তাৰ উপৰত দুটা মাজতে

জোৰ দিয়া খুটাত্ত ভৰ দি বৈ আছে। তক্তাতুখন লৰাই চৰাই যকে তকে লৈ যাব পাৰি। গোঙৰ কুঠৰীটোৰ (Hall) চাপৰ পিনে মাজত জোৰা লগোৱা দুখাল ছাল বাৰি বুধি কৰি খুৱাই দিছোঁ। এই দুচালে না না উপায়ে ঘৰটো ৰদ বৰষুণ আৰু না না বিপদ আপদৰ পৰা ৰক্ষা কৰে। ঘৰৰ মূধত সুন্দৰ কৃষ্ণবৰ্ণ ছোঁ দিছোঁ। ঘৰটো এনেধুনীয়াকৈ সাজা হৈছে যে আজি কালি শিক্ষা বিভাগৰ গুৰিয়াল সকলে স্থিৰ কৰা ধৰণ ইয়াৰ আগত একো নহয়। দৃশ্য এনে মন মোহা যে তাত চখু দিলে চখু ৰয়, মন দিলে মন খায়। এনে চখুত লাগা ঘৰ খন কোনোৱা চখুচৰহা, লগুাশ্ৰমী বা ঘৰোৱাহী কামৰ ভু বিচৰা মানুহে লগত লৈ স্তুত কৰি আঁতৰিব বা নষ্ট কৰিব বুলি মই নিজেই সদায় লগত লৈ ফুৰোঁ। পঢ়াশালি যতে ততে পাতো। ইয়াৰ ইমান আকৰ্ষণী শক্তি যে ছাত্ৰৰ কোনো ঠাইতে অভাৱ নাই! সকলো ঠাইতে প্ৰায় সমান গুণৰ ছাত্ৰকে পোৱা গৈছে। যমে নামাৰিলে মোৰ ঘৰখন চিৰ কাললৈ জীৱাই থাকিব বুলি আশা।

পঢ়াশালিত সকলো বিষয়ৰ আলোচনা কৰা হয়। উজু ভাঙনীৰে প্ৰত্যেক শ্লোক, পদ্য, গদ্য, আদি বুজাই দিয়া হয়। আৱশ্যক হলে শ্লোক আদিৰ অণ্বয় কৰা হয়। এই অণ্বয়ৰ নাম ব্যাখ্যা মুখী-অণ্বয়। ব্যাকৰণ, বানান অভিধান আদিৰ লগত সম্বন্ধ ৰাখা নহয়। বিশেষ টোকা টিপ্পনি আৰু উপদেশ আদিৰে টান কথাবোৰ সৰলাৰ্থত পৰিণত কৰা হয়। এতিয়ালৈ কোনো ছাত্ৰই কোনো

কথা নুবুজাকৈ থকা নাই বা নুবুজো বুলি প্ৰশ্ন কৰি আচাৰ্য্য মহাশয়ক বিৰক্ত কৰা নাই ।

ছাত্ৰ বলাকে আটাইবোৰ উপাধি ভাগাই নিয়াত আচাৰ্য্য মহাশয়ৰ ভাগত উপাধি নপৰিল ।

পঢ়াশালিত পাতা সভাই গভীৰ গবেষণা কৰি আমাৰ টীকাৰ নাম দিছে অনন্ত সন্দিপনি । সভাই এইটোকে থিৰ কৰিছে যে প্ৰত্যেক ব্যাখ্যাৰ শেষত অনন্ত শব্দতো থাকিবা লাগিব । গতিকে এই সন্দিপনি সভাৰ মত অনুসৰি লিখা হল ।

ছাত্ৰবিলাকৰ পৰা শুনা গৈছে যে তেওঁলোকে এই ব্যাখ্যা শুনি সংসাৰৰ সকলো কথাকে পাহৰি যায়. এনেকি কেতিযাবা নিজকে পাহৰে । ব্যাখ্যা শুনুতে বহুত ছাত্ৰৰ প্ৰথম চখুৰে হাঁহে । চখুৰে হাঁহি ৰাখিবা নোৱাৰিলে দাঁতবোৰ উলিয়াই দিয়ে । চখু, দাঁত দুয়ো অক্ষম হলে মুখখন মেলি ঘিক্ ঘিকাই দিয়ে । মাজে মাজে হাঁহিৰ ৰোল উঠে । সেই সময়ৰ দৃশ্য চাবা লাগে । আনন্দতে উৎফুল্লিত হৈ কোনে কাৰ পিঠিত চাপৰিয়াই, কোনে কাৰ গলত ধৰে কোন কেতিয়া হালে জালে তাৰ ঠান থিতি নাই । কাৰোবা পেটিৰ ভিতৰত আনন্দ সুমাই উদৰ পূৰণ কৰি দিয়ে। পেট ফাটি আনন্দ বাহিৰ হৈ ওলাই যাবা খোজে । তেতিয়া তেওঁলোকে পেটত হাত দি খামচা মাৰি ধৰে অথবা দুইয়ো কোষালিত হাতেৰে চেপি ধৰে । শেহত আনন্দটো পানী কৰি চখুৰে উলিয়াই দিহে ৰক্ষা পৰে । আমাৰ পঢ়াশালিত

দুখ ্লেশ মাত্র নাই। ইয়াত মানুহৰ আয়ুস বৃদ্ধি হয়। এনে পঢ়াশালিত পঢ়িবলৈ ইচ্ছা নকৰে কোনে ?

এই সুললিত ব্যাখ্যা অকল মোৰ পঢ়াশালিত আবদ্ধ নাৰাখি ৰাইজে জনা কৰিবলৈ সকলোৱে অনুৰোধ কৰাত ইয়াক ৰাইজৰ আগত ডাঙ্গি ধৰা হল।

---

## কথাৰম্ভ।

১। ৰামং লক্ষ্মণপূৰ্ব্বজং ৰঘুবৰং সীতাপতিং সুন্দৰং কা স্থং করুণাময়ং গুণনিধিং বিপ্রপ্রিয়ং ধাৰ্ম্মিকং ৰাজেন্দ্রং সত্যসন্ধদশৰথতনয়ং শ্যামলং শান্তমূৰ্ত্তিং ৰঘুকুলতিলকং ন্দ লোকাভিৰামং।

— —এই শ্লোকটো পৃথিবীৰ আদি কবি মহামুনি ্মীকায়ে লিখা ৰামায়নৰ আদিতে আছে। ই ৰামায়নৰ মন্ত্র। এই শ্লোকটো ভালকৈ বুজিব পাৰিলেই ৰাম লক্ষ্মণ কোন তাক চিনিব পাৰি। গতিকে ৰামায়ন পঢ়াৰ সকলোখিনি ফল পোৱা যায়।

ইয়াত প্রত্যেক শব্দটোৰ শেষত একোটা অনুস্বাৰ লগাই দি সংস্কৃত ভাষা কৰিছে। অনুস্বাৰবোৰ উঠাই দিলেও সেই একে অৰ্থই হয়। কবিয়ে সকলোৱে বুজিব পৰাকৈ সুন্দৰ ভাষাৰে লিখিছে। তথাপি কোনো কোনো জড়মতি বুদ্ধিহীন অধ্যাপকে ইয়াৰ অৰ্থটো পাক লগাই কৰে। ছাত্রবন্ধুসকল তোমালোকে সেই দুৰ্ব্বুদ্ধি পণ্ডিত বিলাকৰ

কথা নুশুনিবা। মই সুবুদ্ধি, মেধাবী, মই যি বুজাই দিও তাকে মুঠামাৰি ধৰিবা। মই সাধু পুৰুষ। সাধু সঙ্গ অতি দুৰ্লভ। গতিকে তোমালোকে আগুৰি বহি মোৰ সঙ্গ লোৱা।

ব্যাখ্যা মুখী অন্বয় — ৰামং লক্ষ্মণপূৰ্ব্বজং ৰঘুকুলতিলকং শ্যামলং শান্তমূৰ্ত্তিং। সীতাপতিং। সুন্দৰং। ৰঘুবৰং। কাকুস্থং। বিপ্ৰপ্ৰিয়ং। গুণনিধিং করুণাময়ং। লোকাভিৰামং বন্দে। সত্যসন্ধাং ধাৰ্ম্মিকং ৰাজেন্দ্ৰং দশৰথতনয়ং।

অনন্ত সন্দিপনি—ৰামং লক্ষ্মণং (ৰাম আৰু লক্ষ্মণ) পূৰ্ব্ব (আগং, আগেয়ে) অজং (ছাগলং, ছাগল) আছিল। কেনে ছগলি—উত্তৰ—ৰঘুকুলতিলকং (ৰঘুঘৰৰ চিহ্ন স্বৰূপ) শ্যামলং (ঘঁাহবৰণীয়া অৰ্থাৎ কলা) শান্তমূৰ্ত্তিং (নিৰ্জ্জু-স্বভাব)।

সৰলাৰ্থ—ৰাম আৰু লক্ষ্মণ আগেয়ে নিৰ্জ্জুস্বভাবৰ ক'লা ছাগল আছিল। ৰঘুনামে এজন মানুহে পুহিছিল আৰু সেই ছাগল জোৰাৰেই তাৰ ঘৰখন গৃহস্থালি যেন হৈ আছিল।

সন্দিঃ—সীতা (ছাগল পোহা ৰঘুৰ ঘৈনীয়েক) অপতিং (পতি কৰিব এৰিলে, খোৱা বোৱাত কষ্ট দিব ধৰিলে)—ছাগল খাব নাপই শুকাই যাব ধৰিলে। ৰঘুয়ে ৰচি লগাই নিজ হাতে ঘাহনিলৈ নিওতে—সুন (শুনঃ, কুকুৰ) দেখি—দৰং (ভয় খালে) ৰঘু—উবৰং (উবুৰি হৈ পৰিল) খং উঠি ৰঘুয়ে—কাকুস্থং (বলদৰ কান্ধত

দি অৰ্থাৎ গাড়ীত ভৰাই )—হাটলৈ বিকীবলৈ লৈ গল।

সৰলাৰ্থ—ৰঘুৰ ঘৈনীয়েক সীতাই ছাগল দুটাক অপতি কৰিবা ধৰিলে। ছাগল খাবা নাপাই শুকাই যাবা ধৰিলে। ৰঘুৱে ৰচি লগাই ঘাহনিলৈ নিবা ধৰোতে ছাগলে কুকুৰৰ ভুকনিত ছক খালে। ছকখাই লৰি ৰঘুক টানি নিলে। ৰঘু উবুৰি হৈ পৰিল। ৰঘুৰ খং উঠিল। ঘৈনীয়েকক গালি শপনি দি গাড়ীত ভৰাই ছাগল দুটা হাটলৈ লৈ গল।

সন্দিঃ—-বিপ্ৰপ্ৰিয়ং ( ছাগলৰ মঙ্গহ বামুনৰ বৰ প্ৰিয় বস্তু ) সেই নিমিত্তে গুণনিধিং ( গুণনিধি শৰ্ম্মা নামে এজন বামুনে ) কিনিনি-কৰ ( কৰিলে ) উন ( অলপ ) আময় ( সিজা মঙ্গহ )।

সৰলাৰ্থ—ছাগলৰ মঙ্গহ বামুনৰ বৰ প্ৰিয় বস্তু। গুণনিধি শৰ্ম্মা নামে এজন বামুনে ছাগল দুটা কিনি নি বাছি ধুই মঙ্গহ খিনি আধা সিজা কৰিলে। ছাগলৰ মঙ্গহলৈ তাৰ ইমান থক যে অলপ অলপ সিজা যেন দেখি আধা সিজাকৈ খাই পেলালে।

সন্দিঃ—লোকাভিৰাম ( মানুহৰ মনোৰঞ্জনকাৰী ) বন্দে ( প্ৰণাম কৰো )।

সৰলাৰ্থ ঃ—বামুনক দেখি অন্য জাতৰ মানুহৰো ছাগলৰ মঙ্গহ প্ৰিয় বস্তু হৈ উঠিছে। হেই নিমিত্তে মানুহৰ মনত আনন্দ দিয়া ৰাম লক্ষ্মণ ছাগলক বন্দনা বা প্ৰণাম কৰো।

সন্দি ঃ—সত্তসন্ধং ( সচাকথা লুকাই ৰাখা ) ধার্ম্মিকং ৰাজেন্দ্র ( ডাঙৰ ৰাজা ) দশৰথতনয়ং ( দশৰথৰ পুতেক ) বুলি কয়।

সৰলার্থ—এই সঁচা কথাটো লুকাই ৰাখি মানুহে ৰাম-লক্ষ্মণক ধার্ম্মিক ৰাজা দশৰথৰ পুতেক বুলি কয়।

—ইত্যানন্তঃ।

টিপ্পানি ঃ—ৰামলক্ষ্মণ পাছৰ জন্মত শৰথৰ পুতেক হব পাৰে কিন্তু আগেয়ে যে ছাগল আছিল তাত সন্দেহ নাই।

প্ৰমাণ—১। ৰামলক্ষ্মণ যে আগেয়ে ছাগল আছিল তাৰ প্ৰমাণ স্বৰূপ শ্লোকটোত দুটা শব্দ আছে। বিপ্ৰ-প্ৰিয়ং আৰু লোকাভিৰামং। ছাগলিৰ মঙ্গহ যে বামুনৰ প্ৰিয়বস্তু তাক বামুনে পূজা পাতল কৰি ছাগল কাটি খোৱাৰ পৰা বুজিব পাৰি। বামুনক দেখি অন্য জাতৰ মানুহেও ছাগল কাটি খাই বৰ সুখ অনুভৱ কৰিব ধৰা কথাও সঁচা।

২য় প্ৰমাণ—আজিকালিও ৰাম ছাগল আছে। ৰাম ডাঙৰ লক্ষ্মণ সৰু। লক্ষ্মণ ছাগলৰ নাম নাথাকিলেও তোমালোকে সৰু জাতীয় ছাগলবোৰক লক্ষ্মণ ছাগল বুলিব পাৰা।

৩য় প্ৰমাণ—ৰামলক্ষ্মণক অজ ৰজাৰ নাতি বুলি কয়। অজ মানে ছাগল—গতিকে ইয়াৰ পৰাও বুজিব পাৰি যে ৰাম লক্ষ্মণ আগেয়ে ছাগল আছিল।

বিশেষ মাহ ঃ—ৰামলক্ষ্মণ দুইয়ো মতা। সেই নিমিত্তে

মতাৰ স্বভাৱ তেনেই দূৰ নহৈ মাইকী ছাগলীৰ মুখত এতিয়াও দাড়ি বৰ্ত্তমান।

২। লালয়েৎ পঞ্চবৰ্ষাণি তাড়য়েৎ দশবৰ্ষানি। প্ৰাপ্তেষু ষোড়শবৰ্ষে পুত্ৰং মিত্ৰবদাচাৰেৎ ॥

অনন্ত সন্দিপনি ঃ— লালয়েৎ ( লাল পৰি থাকে ) পঞ্চবৰ্ষাণি ( পাঁচ বছৰ বয়সলৈ ) তাড়য়েৎ ( লৰি ধাপৰি ফুৰে ) দশবৰ্ষানি (দহ বছৰলৈ) কঃ শিশুঃ। প্ৰাপ্তেষু [ হোৱা মাত্ৰেই, ভৰি দিলেই ) ষোড়শবৰ্ষে ( ষোল বছৰ ) পুত্ৰ (পুতেক) মিত্ৰ (বন্ধু মিত্ৰ) বদ (বেয়া) আচৰেৎ (ব্যৱহাৰকৰে)।

সৰলাৰ্থ ঃ—পাঁচ বছৰ বয়সলৈ চলি বিলাকৰ মুখৰ পৰা লাল পৰি থাকে, দহ বছৰ বয়সলৈ খোজৰ থৰ-কাছুটি নোহোৱাকৈ খৰধৰকৈ লৰি ফুৰে। ষোল বছৰ বয়স হলে পুত্ৰই বাপেক-মাকৰ প্ৰতি আৰু মিত্ৰই মিত্ৰৰ প্ৰতি বেয়া ব্যৱহাৰ কৰে।

টিপ্পনি—পাঁচ বছৰলৈ চলিৰ মুখৰ পৰা লাল পৰি থাকা দেখিছা। দহ বছৰলৈ চলি লৰি ধাপৰি পৰি হৰি ফুৰাও দেখিছা। এই দুটা কথা নকলেও সকলোৱে বুজিব পাৰা। ষোলবছৰ বয়স হলে লৰাৰ বিয়া-বাৰু হয়, তাৰ স্বভাৱ চৰিত্ৰৰ দোষ ঘটে। ঘৈণীয়েকৰ লগত প্ৰেমালাপ, স্ফূৰ্ত্তি আদি কৰি বাপেকমাকৰ ফালে পিছ দিয়ে। কোনো কোনোৱে বাপেকমাকৰ পৰা বেলেগ হৈ ঘৈণীয়েকৰ সৈতে ঘৰ পাতি খাই বৈ থাকে। বাপেকমাকক গালি গালাজ কৰে, কেতিয়াবা কোনো

কোনোৱে প্ৰহাৰ কৰিবলৈও পাছ্‌ নুহুহোকে। বহু দিন হলে সখি মিতা আদিৰ প্ৰতি আদৰ কমি যায়। ঘৰলৈ গলেও মানুহ যেন নেদেখে। এই কাৰণেই পুত্ৰ আৰু মিত্ৰই যোল বছৰ মানৰ পাছত বদ আচৰণ কৰা বুলি কৈছে।

—ইত্যানন্তঃ।

৩। মাতা শত্ৰুঃ পিতা বৈৰীঃ যেন বালো ন পাঠিতঃ।
সভামধ্যে ন শোভন্তে হংস মধ্যে বকো যথা॥

ব্যাখ্যামুখী অন্বয়—হংস মধ্যে যথা বকঃ, সভামধ্যে ন শোভন্তে। মাতা শত্ৰু পিতা বৈৰী যন বালো পাঠিতঃ ন।

অনন্ত সন্দিপণিঃ—হংসমধ্যে (হাঁহৰ মাজত, ৰাজ-হাঁহৰ মাজত) যথা (যেনেকুৱা) বকঃ (বগুলা চৰাই) সভামধ্যে (মেলৰ মাজত) ন (নাই) শোভন্তে (চখুত পৰা হৈ উঠা নাই)—কঃ—মাদৃশঃ পুৰুষঃ কিয়নো, মাতা (মাতিলেই, হক কথা কলেই) শত্ৰুঃ (শত্ৰু বালাগে) পিতা (পিতিলেই, চৰটো চাপৰটো মাৰিলেই) বৈৰী (বৈৰী, বিৰোধী) হব লাগে। যেন (সেই নিমিত্তে) বালঃ (লৰাকো) ন পাতিতঃ (ন মাৰিতঃ, নামাৰিবা)।

সৰলাৰ্থঃ—ৰাজহাঁহৰ মাজত বগুলা চৰায়ে শোভা নোপোৱাৰ নিচিনা মইও মেলৰ মাজত ৰাইজৰ চখুত পৰা হৈ উঠিবা পাৰা নাই; মনে মনে বহি আছো। কিয়নো মাত দি কথা কলেই শত্ৰু হব লাগে, চৰটো

চাপৰটো মাৰিলেই বৈৰী হব লাগে। সেই নিমিত্তে পাচোতে বা পাঠ শিকাওঁতে চলি পালিকো মাৰিবা নালাগে।

টিপ্পনি ঃ—গাঁৱলীয়া মেলত মেলকি বিলাকে প্ৰথমতে এই শ্লোকটো মাতিহে মেলত বক্তৃতা আৰম্ভ কৰে। ছাত্ৰবন্ধুসক তোমালোকে মেলদৰবাৰত ফুৰিলে এই শ্লোকটো মাতি অৰ্থ ভাঙ্গি কৈ মেলকি হৈ গাঁৱলীয়া হোজা চহা মানুহবৰপৰা টকা পয়চা খাবা পাৰিবা। তোমালোকে লিখা পঢ়া শিকিছা যেতিয়া গাঁৱলীয়া চহা বিলাকৰ পৰা জোৰ কৰি মান সন্মান লবা আৰু সিহঁতক ঠগাই পয়চা কড়ী খাবা।

বিশেষ টোকা—পাঠিতঃ স্থানে পাতিতঃ। অত্ৰ ঠঃ স্থানে তঃ আগমঃ। কথং—তঠয়োৰভেদত্বাৎ যথা বলয়োৰ ভেদত্বাৎ ৰঃ স্থানে লঃ আগমোভবতি।

—ইত্যনন্তঃ।

৪। নাহং তিষ্ঠামি বৈকুণ্ঠে যোগীনাং হৃদয়েনচ।
মদ্‌ভক্তা যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ॥

ব্যাখ্যামুখী অন্বয়—বৈকুণ্ঠে যোগীনাং হৃদয়েচ অহং না তিষ্ঠামি। যত্ৰ মদ্‌ভক্তা গায়ন্তি হে নাৰদ তত্ৰ তিষ্ঠামি।

অনন্ত সন্দিপনি ঃ—বৈকুণ্ঠে (স্বৰ্গত) যোগীনাং (যোগীবিলাকৰ) হৃদয়েণ (হৃদয় স্বৰূপ বৈকুণ্ঠক আশ্ৰয় কৰি) অহং (মই) না (পুৰুষৰূপে) তিষ্ঠামি (থাকো। যত্ৰ (যি ঠাইত মদ্)ভক্তা (মদৰ ভকত সকলে, মদপী

বিলাকে ) গায়ন্তি ( খেমটায়ন্তি, খেমটা গান কৰি নাচে বাগে ) হে নাৰদ—তত্ৰ ( তাতে, সেই ঠাইত ) মই নিজ মূৰ্ত্তিতে বা স্ত্ৰীমূৰ্ত্তিতে তিষ্ঠামি ( থাকো )।

সৰলাৰ্থ্ঃ—স্বয়ং ভগবানে তেওঁৰ ভক্ত নাৰদক কৈছে মই বৈকুণ্ঠত আৰু যোগীবিলাকৰ হৃদয়স্বৰূপ বৈকুণ্ঠত পুৰুষভাবে থাকে। মদপীবিলাকে মদ খাই খেমটা গান গাই স্ফূৰ্ত্তি কৰি, নাচানবাগান কৰি যত থাকে তাতেহে নিজ মূৰ্ত্তিতে থাকো; অথবা তাতে স্ত্ৰীমূৰ্ত্তিতে থাকো।

টিপ্পনি ঃ—কিয়নো এক ঠাইত পুৰুষভাৱে থাকে যেতিয়া অন্য ঠাইত স্ত্ৰী ভাবে থাকিবই। বিশেষ মদপীবিলাকে বেশ্যা আদি লগত লৈ স্ফূৰ্ত্তি কৰি তাইহঁতক সাক্ষাৎ ঈশ্বৰী বুলি মানে, আকোৱালী ধৰি ভগৱতী মূৰ্ত্তিৰ লগত অভিন্ন হৈ যায়, ভৰিত দাঘল দি দি পৰে। গতিকে স্ত্ৰী ভাৱে থাকা কথাটোৰ বিশেষ প্ৰমাণ আছে।

—ইত্যনন্তঃ।

৫। মাতৃবৎ পৰদাৰেষু পৰদ্ৰব্যেষু লোষ্ট্ৰবৎ।
আত্মবৎ সৰ্ব্বভূতেষু যঃ পশ্যতি স পণ্ডিতঃ॥

ব্যাখ্যামুখী অন্বয় ঃ—পৰদাৰেষু মাতৃবৎ পৰদ্ৰব্যেষু লোষ্টবৎ সৰ্ব্বভূতেষু আত্মবৎ যঃ পশ্যতি স পণ্ডিতঃ।

অনন্ত সন্দিপণি ঃ—পৰদাৰেষু ( অন্যৰ ঘৈনায়েকক, পৰৰ স্ত্ৰীক ) মাতৃবৎ ( মাকৰ নিচিনা )—কস্য মাতৃবৎ ইত্যস্য প্ৰশ্নস্য উত্তৰে সন্দিপনিঃ বদতি নিজস্য সন্তানস্য ( নিজৰ সন্তানৰ মাকৰ নিচিনা ) পৰ ( শ্ৰেষ্ঠ, ডাঙৰ ) দ্ৰব্যেষু

( বস্তু বিলাকক—যি বিলাক দেখো বা যাৰ বিষয় শুনো সেই সকলো বোৰকে লোষ্ট্ৰবৎ ( চপৰাদলিৰ নিচিনা সৰ্ব্বভূতেষু ( সকলো প্ৰাণীকে ) আত্মবৎ ( আত্মাৰ নিচিনা ) কস্য আত্মবৎ অত্ৰ সন্দিপণিৰ্দতি ভূতস্য ( ভূত পিশাচৰ আত্মাৰ নিচিনা ) যঃ ( যোন ) পশ্যাতি ( দেখে ) স ( তেঁৱেই ) পণ্ডিতঃ ( সৰ্ব্বজ্ঞানী ) ।

সৰলাৰ্থ ঃ—যিয়ে অন্যৰ স্ত্ৰীক নিজৰ চলিপলিৰ মাকৰ নিচিনা জ্ঞান কৰে, ডাঙৰ ডাঙৰ দেখা শুনা সকলো বস্তুকে নিজতকৈ সৰু ভাবি চপৰাদলিৰ নিচিনা দেখে, সকলো প্ৰাণীকে ভূতপিশাচৰ নিচিনা জ্ঞান কৰে তেঁৱেই সৰ্ব্বজ্ঞ পণ্ডিত ।

টিপ্পনি ঃ—মতৃবৎ কথাটোৰপৰা প্ৰশ্ন উঠে কস্য মাতৃবৎ তাৰ উত্তৰত পাওৱা যায় নিজৰ সন্তানৰ মাতৃবৎ, আত্মবৎ কথাটোৰো সেই দৰে প্ৰশ্ন উঠে । তাৰ উত্তৰ পাওৱা যায় ভূতস্য আত্মবৎ অৰ্থাৎ ভূত পিশাচৰ আত্মাৰ নিচিনা ।

বিশেষমাহ ঃ—সকলো স্ত্ৰীকে নিজৰ সন্তানৰ মাকৰ নিচিনা জ্ঞান কৰি আদৰ সাদৰ কৰা শলাগিবা লাগা । সকলো দেব দেবী, ডাঙৰ মানুহ, ডাঙৰ বস্তু, সকলোকে চপৰাদলিৰ নিচিনা ভাবি তাচ্ছিল্য কৰিবা লাগে আৰু সকলো জীৱকে বিশেষকৈ ওচৰচুবুৰীয়া বিলাকক ভূত পিশাচৰ নিচিনা বুলি ভাবিবা লাগে । কিয়নো নিজক ডাঙৰ বুলি নাভাবিলে আৰু আত্মগৰিমা নাথাকিলে মানুহৰ মনত উচ্চ আকাঙ্ক্ষাই স্থান নাপায় । উচ্চ আৰু

নাথাকিলে সংসাৰত কোনোৱে উন্নতিৰ পথত আগ বাঢ়িবা নৱে। সেই নিমিত্তে সকলোকে তুচ্ছ তাচ্ছিল্য কৰি, ভূতপিশাচৰ নিচিনা জ্ঞান কৰি নিজক নিজে ডাঙৰ পাতি লৈ উচ্চ আকাঙ্ক্ষা পোষণ কৰিবা লাগে।

—ইত্যানন্তঃ।

৬। পণ্ডিতস্য গুণাঃ সৰ্ব্বে মূৰ্খা দোষাহি কেৱলম্।
তস্মাৎ মূৰ্খসহস্ৰেভ্যঃ পণ্ডিতৈকো বিশিষ্যতে।

ব্যাখ্যামুখী অন্বয়—পণ্ডিতস্য সৰ্ব্বেগুণাঃ কেৱলংহি মূৰ্খা দোষাঃ. তস্মাৎ মূৰ্খ সহস্ৰেভ্যঃ একঃ পণ্ডিতঃ বিশিষ্যতে।

অনন্ত সন্দিপানি ঃ—পণ্ডিতস্য (পণ্ডিতৰ) সৰ্ব্বেগুণাঃ (সকলো গুণেই আছে) কেৱলং (কেবল মাত্ৰ) মূৰ্খা দোষাঃ (মূৰ্খ দোষ খিনি) গুচা নাই। তস্মাৎ (সেই নিমিত্তে) মূৰ্খ সহস্ৰেভ্যঃ (হাজাৰ মূৰ্খ দোষ থাকিলে) একঃ পণ্ডিতঃ বিশিষ্যতে (একজন বিশিষ্ট পণ্ডিত হয়)।

সৰলাৰ্থ ঃ—পণ্ডিত সকলো গুণৰ আধাৰ হলেও মূৰ্খ দোষেই প্ৰধান। সেই নিমিত্তে যাৰ এনেকুৱা হাজাৰ হাজাৰ মূৰ্খ দোষ আছে তেঁৱেই বিশিষ্ট পণ্ডিত।

বিশেষমাহ ঃ—বৰ্ত্তমান শিক্ষিত সমাজৰ মত যে কোনোৱে বাৰবছৰ পণ্ডিত কাম কৰিলে তেওঁক গাধাৰ লগত তুলনা কৰিব পাৰি। কোনো কোনো দেশত এনে নিয়মো নেকি প্ৰচলিত যে বাৰবছৰ পণ্ডিত কাম কৰিলে সেই পণ্ডিত আদালতত সাক্ষীৰ অনুপযুক্ত হয়, কিয়নো তেওঁ আচল বোকা হৈ উঠে; সঁচা মিছা মিহলাই কথা

খিনি ঠগ লগাই কৰা নাজানে বা নৰে। বহুবছৰ পণ্ডিত কাম কৰিলে এনে হাজাৰ হাজাৰ মূৰ্খ দোষে আগুৰি ধৰে গতিকে তেওঁ বিশিষ্ট পণ্ডিত হয়!

—ইত্যমন্তঃ।

৭। ৰাধা-ধৰ-সুধা পান শালিনে বনমালিনে।

ব্যাখ্যামুখী অন্বয়—ৰাধা,-ধৰ সুধা পান, শালি নে—বনমালি নে।

অমন্ত সন্দিপনিঃ—ৰাধা ( ৰাধা, কৃষ্ণৰ অৰ্দ্ধাঙ্গিনী ) ধৰ ( হাত পাতি লউ ) সুধা পান ( কেৱল পান, চূণ তামাখু তামোল নোহোৱাকৈ শুধা পাণ ) শালি ( গালি পৰা মাত—ঘৈণীয়েকৰ সৰু বনীয়েকক শালি বুলি মাতে ); নে ( ঘূৰাই লউ ) বনমালি ( কৃষ্ণ ) নে ( হাত পাতি লউ )

সৰলাৰ্থঃ—একদিন ৰাধা আৰু কৃষ্ণ প্ৰেমালাপ কৰি বহি অমোল-তুমুল খাই আছিল। বহু সময় গল্প গুজব কৰাৰ পাছত কৃষ্ণই ৰাধাক আখান তামোল খুজিলে। বহু সময় একে ঠাইতে বহি তামোল খাই কথা পাতি থাকোতে ৰাধাৰ শৰাইৰ তামোল নাইকিয়া হল। কৃষ্ণৰ কাষৰপৰা উঠি যাবাও ইচ্ছা নকৰে। সেই নিমিত্তে ৰাধাই কলে, কৃষ্ণ তামোল নাই শুধা পাণ খিনিকে নিয়া। কৃষ্ণৰ খং উঠিল, তেওঁ কলে শালি নে, ঘূৰাই নে তোৰ শুধা পাণ, মই নাখাওঁ। ৰাধাই বটাখান জাৰি জোকাৰি অলপ তামোলৰ গুদা গাদি পাণৰ লগত দি

কৃষ্ণক কলে—বনমালি নে, হৰেলি নে, তামোলখা।

বিশেষমাহ ঃ—-এই কথা খিনি গোপাল সহস্ৰ নামত আছে। এই খিনি মনত ৰাখি পাঠ কৰিলেই গোপাল সহস্ৰ নাম ইমূৰৰ পৰা সিমূৰলৈ পাঠ কৰাৰ সমান ফল পায়। কেৱল অৰ্থটো ভালদৰে মনত ৰাখিবা লাগে। অৰ্থ নুবুজি পাঠ কৰাৰ একো লাভ নাই।

---

## বস্তু পাঠ।

আজিকালি চৰকাৰী পঢ়াশালি বিলাকত এই বিষয়টো বৰ লাগতিয়াল। আমি আমাৰ পঢ়াশালিৰ পৰা ইয়াক বাদ দিয়া উচিত নহয়।

বস্তু মানে পদাৰ্থ। পদাৰ্থৰ জ্ঞান হলে বস্তু পাঠ শেষ হয়।

পদাৰ্থ কাক বোলে—সংজ্ঞা—যিবিলাক বস্তু আমাৰ চাৰিওফালে আমি দেখোঁ, সেই সকলো বিলাকেই পদাৰ্থ। যেনে—গাছ-বিৰিখ, হাতী-মাখি, কীট-পটঙ্গ, পানী-তুনি, মানুহ-তুনুহ, ৰেল-জাহাজ, কেচু-কুমটি, পোক-পৰুৱা, পৰুৱা-পিপৰা, চকি-মেজ, ঘৰ-তুৱাৰ ইত্যাদি।

প্ৰকাৰ—পদাৰ্থ তিনি প্ৰকাৰ—সচেতন, অচেতন আৰু উদ্ভিদ।

সংজ্ঞা—সচেতন—যিবিলাক এক ঠাইৰ পৰা অন্য ঠাইলৈ আহা-যাওয়া কৰিবা পাৰে তাকে সচেতন পদাৰ্থ

বোলে—যেনে ৰেলগাড়ী, জাহাজ ইত্যাদি।

অচেতন—যিবিলাক এক ঠাইৰ পৰা অন্য ঠাইলৈ অন্যৰ সহায় নাপাৱাকৈ লৰাচৰা কৰি যাবা নৰে তাক অচেতন পদাৰ্থ বোলে—যেনে বুঢ়া-আতা, বুঢ়ী-আই ইত্যাদি।

উদ্ভিদ—যিবিলাক মাটি ফুটাই ওলায় তাক উদ্ভিদ বোলে—যেনে কেচেই, কুমটি, গুবৰুৱা ইত্যাদি।

—ইত্যনন্তঃ।

——(ঃ)——

## ব্যাকৰণ।

উক্ত আছে যো ব্যাৰণং ন কজানাতি স অন্ধঃ—কণা মানুহে বাট পথ নেদেখি সেপিয়াই ফুৰে। ব্যাকৰণৰ জ্ঞান নথকা মানুহৰ শব্দৰ মূল নুবুজি, কোন শব্দ ক'ত কেনেদৰে ব্যৱহাৰ হৈছে তাক কৰা নৰি শব্দ সাগৰত পৰি উহাদিশ হৰুৱাই বক্‌বকাই ফুৰে। এই শাস্ত্ৰ ভাল-দৰে শিখিলেহে ভাষা শুদ্ধকৈ কবা আৰু লিখিবা পাৰি।

বৰ্ত্তমান আমাৰ ইয়াত তিনি ৰকম ব্যাকৰণৰ চৰ্চ্চা হয়—সংস্কৃত ব্যাকৰণ, আসমীয়া ব্যাকৰণ, ইংৰাজী ব্যাকৰণ বা Garmmar. উপৰোক্ত প্ৰথম আৰু দ্বিতীয় বিধ ব্যাকৰণৰ চৰ্চ্চা ক্ৰমেকমি আহিছে। শিক্ষিত সমাজে দুয়োটাকে অৱহেলা

কৰে। যিবিলাকে গ্ৰামাৰ নপঢ়ি কেৱল ব্যাকৰণ পঢ়ে তেওঁ-লোকৰ বিদ্যা আধকুয়া। তথাপি তিনিও ব্যাকৰণৰ চল দেখা যায়। ইয়াক শিখিবা বহু দিন লাগে। শাস্ত্ৰতো কৈছে দ্বাদশভৰ্ব্বৰ্ষৈঃ ব্যাকৰণং শ্ৰুয়তে। ব্যাকৰণ শিখাতে বাৰাও বছৰ লাগে। তোমালোকে ব্যাকৰণ শিখাতে ইমান সময় নিয়ালে অইন শাস্ত্ৰ কেতিয়া পঢ়িবা। ততো গ্ৰাহ্যং সাৰমপাস্য ফল্গু এই নীতি বচনকে অৱলম্বন কৰি, অতি কম সময়তে ব্যাকৰণ শিখিবা পাৰাকৈ মই এটি ব্যাকৰণৰ লাড়ু বনাইছো। এই লাড়ু অতি সুস্বাদু আৰু সহজ পাচ্য। তোমালোকে অনায়াসে ইয়াক টপৰাই গিলি দিবা পাৰিবা।

পাণিনি প্ৰভৃতি সংস্কৃত বৈয়াকৰণিক পণ্ডিত সকলে তেওঁলোকৰ ৰচিত ব্যাকৰণত কিছু কথা বাদ দি গৈছে। সেইদৰে নেচ ফিল্ড প্ৰভৃতি ইংৰাজী গ্ৰামাৰ ৰচক সকলেও কিছুকথা এৰিছে। সেই এৰি যাওৱা কথাবোৰ ব্যাকৰণ লাড়ুত আলোচনা কৰা হৈছে। মোৰ ব্যাকৰণ লাড়ুৰ আস্বাদ লোৱা। সংসাৰৰ ষড়ৰস, নবৰস তেনেই ইয়াতেই পাবা।

ব্যা (বিয়া) কৰণ (কৰাৱা)—বিয়া কৰালেই ব্যাকৰণ শিক্ষা হয়। বিয়া কৰোৱা আৰু ব্যাকৰণৰ কি সম্বন্ধ তাক তলৰ পদ্য দুফাকিৰ পৰাই বুজিবা পাৰি।

"লেহেতীয়াই জানে কিবা যুবতীৰ কোল।
বৰলাই জানে কিবা ব্যাকৰণৰ মোল॥"

এই কথাখিনি আখৰে আখৰে সঁচা। বিয়া নকৰালে ব্যাকৰণ বুজিবা নৰি।

এই খিনিতে কৈ থও যে সংস্কৃত, অসমীয়া আৰু ইংৰাজী তিনিও ব্যাকৰণৰ একে লগে আলোচনা কৰা হব। কিয়নো তিনিও ব্যাকৰণ তুলনাক্ৰমে শিখা ভাল। ইয়াৰ ভিতৰত অসমীয়া আৰু সংস্কৃত ব্যাকৰণৰ বহু ঠাইত মিল। ইংৰাজীৰ বহু ঠাইত ইহঁতৰ লগত গড়মিল। আলোচনাৰ সময় যি ভাষাৰ উদাহৰণৰ দৰকাৰ তাক দিয়া হব। যি ভাষাত উদাহৰণ নহলেও বুজিবা পাৰি তাৰ উদাহৰণ দিয়া নহয়।

বৰ্ণ—মানুহ চতুৰ্বৰ্ণ—ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্য আৰু শূদ্ৰ। গতিকে বৰ্ণও চাৰি প্ৰকাৰ:—

ব্ৰাহ্মণ—স্বৰবৰ্ণ বা Vowel,

ক্ষত্ৰিয়--ব্যঞ্জন বৰ্ণ বা Consonant.

বৈশ্য—যুক্ত বৰ্ণ (অসমীয়া, সংস্কৃত), আখৰ নহাকৈ উচ্চাৰিত বৰ্ণ (ইংৰাজী) Lieutenant.

শূদ্ৰ—অযোগবাহ বৰ্ণ, অনুস্বাৰিত বৰ্ণ (ইংৰাজী)—Hour.

লিঙ্গ—পুলিঙ্গ—Masculine Gender.

স্ত্ৰীলিঙ্গ—Feminine Gender

উভলিঙ্গ—Common Gender.

ক্লীবলিঙ্গ—Neuter Gender.

শিল্পলিঙ্গ—Alexander.'

লিঙ্গ মুঠতে পাঁচ বিধ। লিঙ্গবোৰ আভিধানিক। তিৰোতাক বুজাৱা শব্দ পুলিঙ্গ আৰু ক্লীব বুজাৱা শব্দ ও স্ত্রীলিঙ্গ বা পুলিঙ্গ আদি হবা পাৰে। সস্কৃত ভাষাত লিঙ্গ ব্যভিচাৰ বৰ বেছি, অসমীয়াত কম আৰু ইংৰাজীত তাতকৈও কম।

উদাহৰণ—সংস্কৃত—দ্বাৰা, গুণ, হাৰ ইত্যাদি।

অসমীয়া—লতা, ভাষা ইত্যাদি।

ইংৰাজী—The Sun, the Moon, Education etc.

টিপ্পনি ঃ—সংস্কৃত দ্বাৰা মানে স্ত্রী কিন্তু শব্দটো পুলিঙ্গ। গুণ মানে পৰিমাণ, ধনুগুর্ণ আদি কিন্তু শব্দটো পুলিঙ্গ। হাৰ মানে গলত পিন্ধা হাৰ কিন্তু শব্দটো পুলিঙ্গ।

অসমীয়া—লতা ভাষা আদি শব্দৰ পুলিঙ্গ নাই, তিৰোতাৰ দৰে প্রসবাদি কার্য্যও নকৰে তথাপি স্ত্রীলিঙ্গ।'

ইংৰাজী—The Sun—ইয়াৰ feminine নাই বা মতাৰ দৰে কার্য্যও নকৰে তথাপি Masculine; The Moon ইয়াৰ Masculine নাই বা তিৰোতাৰ দৰে প্রসবাদি কার্য্যও নকৰে তথাপি Famininе. Educatoin ইয়াৰ কৈফিয়ৎ Moon ৰ দৰে। লিঙ্গ ব্যভিচাৰৰ এটা বচন আছে, কওঁ মনত ৰাখিবা।

সূত্র—আকাৰান্তা স্ত্রীলিঙ্গা বৰ্জ্জয়িত্বা খুড়া-জেঠা।

দূষন—মোমা, পেহা, বৰা, বকুৱা কিম্।

উত্তৰ—কশ্চিৎ কশ্চিৎ ব্যভিচাৰী।

ছাগীৰ মুখে যথা দাঁড়ি॥॥

বিশেষমাহ—খুড়া আৰু জেঠা এই দুই আকাৰান্ত শব্দত বাজে বাকীবোৰ আকাৰন্ত শব্দ স্ত্ৰীলিঙ্গ।

এই উপৰুক্ত কথাৰ দোষ উলিয়াই কৱা হৈছে, তেন্তে মোমা, পেহা, বৰা, বকুৱা আদি কথা স্ত্ৰীলিঙ্গ হব নেকি? তাৰ উত্তৰত কওৱা হৈছে—নহয়। কিয়নো মাতীৰ কোনো জাতিৰে দাড়ি নাই কিন্তু ছাগলীৰ মুখত দাড়ি আছে। ইয়াত ঈশ্বৰেও ন্যায়ৰ লজ্ঘন কৰিছে গতিকে লিঙ্গৰ সূত্ৰৰ ব্যভিচাৰ হওৱা একো আচৰিত নহয। মোমা, পেহা আদি শব্দ ব্যভিচাৰী হৈ পুলিঙ্গ হৈছে।

টিপ্পনি—আটাই কেইবিধ লিঙ্গই একবিধ প্ৰাণীৰ গাটে খাটে। সকলো প্ৰাণীৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ জীব। মানুহৰ ভিতৰতো চৰকাৰী বিষয়া, উকিল, মহৰি, কেৰানী বাগিছা, ফ্যাক্টৰী. দোকান আদিত কাম কৰা সকল শ্ৰেষ্ঠতৰ আৰু শ্ৰেষ্ঠতম। এই শ্ৰেষ্ঠ মানৱ সকল স্থান, কাল আৰু কৰ্ম্ম অনুসৰি বিভিন্ন লিঙ্গত পৰিণত হয়। সকলো লিঙ্গ মানুহ গাতে খটুৱাই দেখাৱা হব।. ছাত্ৰ-সকলে অনুকৰণ কৰি অন্যান্য প্ৰাণীৰ গাতো- সেই দৰে লিঙ্গবোৰ খাটাবা পাৰিব।

যেই সেই এজন বিষয়াৰ কথা মনেত ধৰি লওৱা।

তেওঁ কামলৈ যাওয়াৰ আগতে ঘৰৰ চাকৰ নাকৰ আদিৰ উপৰত পুলিঙ্গ। কাম কৰি থাকাতে যেতিয়া উৰ্দ্ধতন কৰ্ম্মচাৰী অফিচলৈ আহে তেতিয়া তেওঁ সমনীয়া আদিৰ লগত ফুচ্ফাচাই কথা পাতি স্ত্রীলিঙ্গ হৈ পৰে। এচৰক কোনো মক্কিল বা বাহিৰা মানুহ আহিলে নিজৰ প্ৰাধান্য নষ্ট হয় বুলি ভাবি স্ত্রীলিঙ্গৰূপ হওৱা স্বত্ত্বেও পুলিঙ্গৰ দৰে দুটা এটা কয়। তেতিয়া তেওঁ উভলিঙ্গ। কামৰ. উৰ্দ্ধতন কৰ্ম্মচাৰীৰ, বাহিৰা লোকৰ হেচা থেলা খাই ঘৰলৈ উলটি আহোতে তেওঁ ক্লীবলিঙ্গ। ঘৰ পাই যা-জলপান অদি খাই, ধপাত চুৰট আদি চুহি জিৰণি লওৱা সময়ত তেওঁ শিৱলিঙ্গ।

কাৰক— কৰ্ত্তা কাৰক—Nominative case.

কৰ্ম্ম কাৰক—Objective case.

কৰণ কাৰক—Instrumental case.

সম্প্ৰদান কাৰক—Dative case.

অপাদান কাৰক—Ablative case.

অধিকৰণ কাৰক—Locative case.

সাংঘাতিক কাৰক বা মাৰক—Serious case.

কেৱলায়া কৰ্ত্তা—Nominative absolute.

বিশেষণ—ই কেইবিধ সকলোৱে জানে। কেৱল পৰিমাণ বুজোৱা কথাৰ অলপ তাৰতম্য আছে। সকলো ব্যাকৰণতে বিশেষণৰ তিনিটা ডিগ্ৰী আছে। আমাৰ লাড়ুৰ মতে ইয়াত বাজেও এটা ডিগ্ৰী বেছি আছে। গতিকে বিশেষণৰ

ডিগ্ৰী চাৰিটা যেনে ঃ—Positive, Comparative, Superlative আৰু Abdul Latif, আজি কালিৰ সভ্য যুগত প্ৰায় কথাবতৰাত শেষত কওৱা Abdul Latif ডিগ্ৰীটোৰে ব্যৱহাৰ কৰা হয়

সমাস ঃ—দ্বন্দ্ব দ্বিগুৰপিস্মামহং মদ্গেহেনিত্যমব্যয়ী ভাবঃ। তৎপুৰুষ কৰ্ম্মধাৰায যেনাহং স্যাং বহুব্ৰীহিঃ। ব্যাকৰণ শিকিবলৈ হলে যে বিয়া কৰাব লাগে তাৰ প্ৰমাণ এই সমাস প্ৰকৰণৰ সূত্ৰও এটা।

ধাতু ঃ—সকলো ব্যাকৰণতে এই বিষয় বহুলাই লিখা আছে গতিকে ইয়াৰ আলোচনা নকৰিলেও হয়। অলপ আলোচ্য বিষয় এই যে ইংৰাজীত নাউন আদি শব্দ ক্ৰিয়াৰ দৰে ব্যৱহাৰ কৰা হয় আৰু অসমীয়াতো বিশেষ্যৰ শেষত ক্ৰিয়া বিভক্তি যোগ কৰি ক্ৰিয়াৰ দৰে ব্যৱহাৰ কৰে। এই বিলাকক নাম ধাতু বুলিবা লাগে। সংস্কৃত ব্যাকৰণত নাম ধাতুৰ বিশেষ অলোচনা কৰিছে। তাৰে এটা উদাহৰণ কওঁ মনত ৰাখিবা।

বালিকেয়ং ব্যাধায়তে, ভ্ৰূযুগলং কাৰ্ম্মুকায়তে।
স্তনযুগং শৰায়তে, মনো মে হৰিণায়তে॥

ইত্যানন্তঃ।

সৰলাৰ্থ ঃ—গাভৰু-ছোৱালী এজনী ব্যাধৰ কাম কৰিছে। তাইৰ ভূৰু জুৰিয়ে ধনুৰ কাম কৰিছে। স্তন দুটাই শৰৰ কাম কৰিছে। মোৰ মনটো হৰিণ হৈছে। গাভৰু জনীয়ে মোৰ হৰিণৰূপী মনটোক চীকাৰ কৰিব ধৰিছে।

# ভূগোল।

আজিকালি ট্রেইনিং স্কুল বিলাকত ই বৰ লাগতিয়াল বিষয়। সুন্দৰ ৰং চং কৰা ম্যাপ আঁকি দেখালে ভাল ছাত্ৰ। অৱশ্যে মাজে মাজে দ্ৰাঘিমা আৰু অক্ষৰেক্ষা দেখুৱা ছলেৰে দুটা এটা আঁচ মৰা থাকিবা লাগে। স্কুল বিলাকতো ভূগোল শিখায়। তথাপি ইয়াৰ গলদ মাৰি শিক্ষা দিবা পাৰা নাই। মই দুই চাৰিটা কথাৰ গলদ মাৰি দিওঁ, শুনা।

ভূগোল = ভূগ + ওল। ওল ভোজন কৰি হজম কৰিবা পাৰিলেই ভূগোল বুজা হয়। ওল যেনে পৃথিবীও তেনে। খাওঁতে ওলে খজুৱাই বা ধৰে আৰু কেতিয়াবা নধৰে, গতিকে ওলৰ স্বৰূপ বুজা টান। পৃথিবীৰো তেনে। ওলৰ উৎপত্তি বিনাশ আছে। পৃথিবীৰ নাই বুলি কোনোৱে কবা নৱে।

পৃথিবী কেন্দ্ৰ কৰি গ্ৰহ নক্ষত্ৰ আদি ঘূৰা মত উড়াই দিয়া হৈছে। বৰ্ত্তমান সূৰ্য্য কেন্দ্ৰ। পৃথিবী আদি গ্ৰহ হৈ সূৰ্য্যৰ চাৰিও ফালে ঘূৰা মত প্ৰচলিত। পুৰণি পুথি বোৰ তেনেই নষ্ট কৰিবা নৰাত পৃথিবী কেন্দ্ৰ থাকা মত আছিল বুলি বুজিবা পৰা হৈ আছে।

সূৰ্য্য কেন্দ্ৰ মতটো বৰ ডাঙৰ বৈজ্ঞানিক, ধনী, মানী আৰু বেছি টকা দৰমহা পাওৱা পণ্ডিতসকলৰ মত আমাৰ অবৈতনিক পাঠশালা। আমি বিনা পয়চাই পৃথিবী

ঘূৰাবা নৰো। ঘূৰালে কুৱা, পুখুৰী প্ৰভৃতিৰ পানীবোৰ পৰি যাব। পানী খাবলৈ নাপাই জীৱ বোৰ ধ্বংস হব। অৱশ্যে গছবিলাক উলটি তলমুৱা হৈ পকা পকা ফল চিঙ্গি খাবালৈ সুবিধা হব। কিন্তু যদি ঘূৰিবা ঠাৱৰিবা নৰি আমিও তলমূৰা হৈ পৰো তেন্তে আমাক ধৰোতা কোন? আমাৰ বিলাই কি! জীৱন সংশয়। আমাৰ পঢ়াশালিত পৃথিবী ঘূৰা নুঘূৰা মত নচলাওঁ। গ্ৰহ নক্ষত্ৰ যি পিনে যায় সেই পিনে যাওক। আমি কিয় সিহঁতৰ পাছে পাছে লৰি ফুৰোঁ।

পৃথিবীৰ ডাঙৰ পৰ্ব্বত—হিমালয় আৰু শহুৰালয়।

বহল নদী—আমাজান আৰু বিবিজান।

দীঘল নদী—মিচিচিপি আৰু লুপ্‌লুপি।

আচৰিত বস্তু—সাতোটা আচৰিত বস্তুৰ নাম পঢ়িছা। ইহঁতকৈ আৰু দুটা আচৰিত আছে—কামিনী, কাঞ্চন।

যাতায়ত—ৰেল জাহাজ আধুনিক। আসামত কেইটা-মান পুৰণি আলি আছে। তাৰে প্ৰধান কেইটা মনত ৰাখিব লগীয়া—গোহাঁই কমলা আলি, ধোদৰ আলি আৰু কেৰামত আলি।

মাননীয় লোক—মণ্ডল, গাওঁবুঢ়া, মেলকী।

কিঞ্চিৎ মাননীয়—কাননগোহ আৰু চব ডেপুটি।

ভয়াবহ—কনষ্টেবল, দাৰোগা, আপকাৰী দাৰোগা।

কিঞ্চিৎ ভয়াবহ—টেকেলা, উত্তমৰ্ণ।

বোকা বা মূৰ্খ—সত্যবাদী।

বুধিয়ক—সঁচা মিছা মিহলিকৈ ঠগ লগাই কব জানা।

—ঃ০ঃ—

## বুৰঞ্জী।

শিকাৰ আৱশ্যক নাই। ই ভবিষ্যৎ একো কবা নৰে। বৰ্ত্তমান বিষয় আলোচনা নকৰে। কেৱল অতীত কথাহে কয়। অতীতত যি হৈ গৈছে যাওক তাক ভাবি মূৰ নুঘূৰাও। বৰ্ত্তমান কাম কৰা আৰু ভবিষ্যৎ ভবাহে প্ৰকৃত বীৰৰ কাম।

## এখন দৰখাস্ত আৰু গুণ বিচাৰ।

মহামহিমাৰ্ণব শ্ৰীলশ্ৰীযুক্ত স্কুল সমূহৰ চব্ ইন্স্পেক্টৰ
মহোদয় মহিমাৰ্ণবেষু।

মহোদয়,

অধীনী গাৱলীয়া পঢ়াশালীৰ পৰা নিম্নপ্ৰায়মাৰী পৰীক্ষা পাছ কৰি ছাত্ৰবৃত্তি স্কুলৰ ৫ম মানলৈ পঢ়িছিলো। এনেতে মোৰ শাস্তি হল। স্কুল এৰিবলৈ বাধ্য হলোঁ। মোৰ বিয়া হোৱা নাই, ঘৰতে বহি আছোঁ। অধীণী নিঃসহায়, ঘৰত বুঢ়ী আইত বাজে কোনো নাই।

অধীনীয়ে প্ৰাৰ্থনা কৰো দয়ালু হাকিমে অধীনীক কোনো এঠাইত নিযুক্ত কৰি জীবিকাৰ উপায় দিয়ে। ইতি।

১৯।৭।৩৩ } বিনীতা—
শ্ৰীমতী লতাপতা বৰুৱানী।

পোঃ—ডেৰগাওঁ।
গাওঁ—আঢৈ গাওঁ।
থানা—সাৰে তিনি গাওঁ।
মৌঃ—দীঘল বহল।

এই দৰখাস্ত এজনী নিঃসহায় গাভৰুৱে লিখিছে। ইয়াত তেওঁৰ গুণাৱলী উল্লেখ আছে।

যেনে—( ১ ) তেওঁ পাঠশালা পাছ কৰিছে।
( ২ ) ছাত্ৰবৃত্তিৰ ৫ম মানলৈ পঢ়িছে।
( ৩ ) শান্তি হৈছে।
( ৪ ) বিয়া হওৱা নাই।
( ৫ ) নিঃসহায়। বুঢ়ীমাকত বাজে কোনো নাই।

প্ৰাৰ্থনা—চব ইনস্পেক্টৰ মহোদয়ে কোনো ঠাইত নিযুক্ত কৰি দিবা লাগে অৰ্থাৎ কামত সুমাই দিব লাগে বা বিয়াৰ বন্দৱস্ত কৰি দিবা লাগে। কিয়নো নিযুক্ত কথাটোৰ দুয়োটা মানে হবা পাৰে। বিশেষকৈ নিযুক্ত কথাটো ইংৰাজী ( Engaged এঙ্গেজ্‌ড্‌ ) কথাটোৰ অনুবাদ। আৰু বিয়া নহৱা কথাটোৱেই ইয়াৰ বিশেষ প্ৰমাণ দিছে।

এই দৰখাস্তৰ শান্তি হওৱা আৰু বিয়া নহৱা কোৱালিফিকেছন দুটা বিশেষ বিবেচনাৰ যোগ্য।

## বিবাহ মন্ত্র ।

আজি কালি মাননীয় ৰায় শ্ৰীযুত হৰবিলাস চৰ্দ্দা বাহাদুৰ মহোদয়ে বিয়া সম্পৰ্কে নতুন আইন কাউঞ্চিলত পাছ কৰাইছে । সদস্য সকলে এই আইন অনুমোদন কৰিছে, ভাৰতৰ মহামতি গুৰিয়াল সকলে শলাগিছে । দুই এজন বুঢ়া গোৰামী স্বভাৱৰ মানুহৰ মত ইয়াৰ লগত নিমিলে সঁচা কিন্তু সিবিলাকৰ কথা শুনে কোনে—মানে কোনে ? গতিকে বিয়াৰ মন্ত্ৰৰো লৰচৰ হৈছে । কোনো এখন বিয়াত তলত লিখা মন্ত্ৰ পাঠ হৈছিল ।

১ । বৰ বৰ কন্যাং লৰফৰ স্তন্যাং
প্ৰথম গৰ্ভ পতিতাং দ্বিতীয় গৰ্ভ সহিতাং
সুপক্কায় সগুম্ফায় বৰায় নমঃ :

২ । বৰ বৰ কন্যাং লৰফৰ স্তন্যাং
হিষ্টিৰীয়া প্ৰদৰ ৰোগ প্ৰপীড়িতাং ।
ৰজঃস্বলা বাধক দোষ ঘটিতাং ।
ক্ষৌৰ কৰ্ম্মেন গুম্ফ বিহীন কৃতায়
যুবক সুলভায়, প্ৰমেহুপদংশ ৰোগ গ্ৰস্তায়
কঙ্কালবশেষায় —ৰূপায় * বৰায় নমঃ

—ইত্যানন্ত ।

চক্ষুজ্জলানাসাহস্ত মুখাবৃত মিচিকীয়া
গুম্ফতলেঠচিম্পা জিহ্বাদংশনখলখলীয়া । ইতি ।

---

*ৰূপায় শব্দৰ আগত এটা ডেহ্ দিয়া হৈছে । যি বৰক যেনে ৰূপ দিব খোজে তাত তেনে শব্দ লগাই লব ।

হাসিলক্ষণম্

—ইত্যনন্তঃ

পাদস্য ঢোৰকোৰাজা ।
তস্য মন্ত্ৰী টুন্ টুনী ।।
ফুচফুচী মলয়া গন্ধা ।
নিঃশব্দা প্ৰাণ ঘাটিকা ।।
পুনঃ— থুচিকা প্ৰাণানাশিকা ॥

ইত্যনন্তঃ ।

---

## পৰিদৰ্শন

ইন্‌স্পেক্টৰ চাহাব বাহাদুৰে হাইস্কুল পৰিদৰ্শন কৰিছে । সাধাৰণতঃ এই উচ্চপদবীৰ লোকে ইংৰাজী, ভূগোল আৰু পাটীগণিতৰ ভগ্নাংশৰ সৰল অঙ্কৰ পৰীক্ষা কৰে । কবা নৰো কি কাৰণে, বোধ কৰো হেড় পণ্ডিত মহাশয়ে সংস্কৃত পঢ়াই থাকা দেখিনেকি এক দিন চাহাব বাহাদুৰে হাইস্কুলত সংস্কৃত ব্যাকৰণ পাই খোলা মাত্ৰেই " গো " শব্দ ওলাই পৰিল । ধুৰন্ধৰ ছাত্ৰ এজনক গো শব্দৰ ৰূপকে শুধিলে ।

ছাত্ৰবিলাকে সাধাৰণতঃ শব্দৰ ৰূপত দ্বিতীয়াৰ বহুবচন

৬ষ্ঠী আৰু ৭মীৰ ৰূপ শিখাত আৰু কওয়াত টান পায়। আমাৰ ধুৰন্ধৰে থিয় হৈ মুখ মেলিলে —গৌঃ গাবৌ, গাব গাম. গাবৌ —দ্বিতীয়াৰ বহুবচন পালে। ছাত্ৰৰ গলত সোপা লাগিলে। সৰ্ব্বনাশৰ উপৰি সৰ্ব্বনাশ; সাৰে সৰ্ব্বনাশ। সাৰে সতৰাওটা ঢোক গিলিও ছাত্ৰ জনে দ্বিতীয়াৰ বহু-বচনটো উদ্গীৰণ কৰিবা নৰিলে। পণ্ডিত মহাশয়ৰ ফালে মূৰ ডাঙ্গি ডাঙ্গি চাবা ধৰিলে। চাহাব বাহাদুৰৰ আগতে, পণ্ডিত মহাশয়ে মাতে কেনেকৈ? চাহবৰ পিছ পিনে থিয় হৈ নিজৰ আগ হাতেৰে নিজৰ গাত চাপৰিয়াই তৰ্জ্জনী উপৰলৈ তুলি দেখুৱাই দিবা ধৰিলে। সংস্কৃত পঢ়া ছাত্ৰক কেইবাবাৰো গাত চাপৰিয়াই দেখুৱাত ধুৰন্ধৰে তৎক্ষণাত কৈ দিলে চাৰ "শৰীৰম"। তোমালোকে মনত ৰাখিবা গো শব্দৰ দ্বিতীয়াৰ বহুবচন "শৰীৰম" কিয়নো ই ছাত্ৰ আৰু শিক্ষকৰ যুগপৎ চেষ্টাত বাহিৰ হোৱা শব্দ। গাত চাপৰিয়াই দেখুৱালেও কেতিয়াও গাঃ বুলি নকবা কিয়নো গাৰ ভাল সংস্কৃত শব্দ শৰীৰম্ হে।

পাঠশালা স্কুলত ৫টা শ্ৰেণী থাকে। পঢ়াব লাগে এজন শিক্ষকে। এই স্কুলৰ নিম্নতম শ্ৰেণীটো প্ৰায় শিক্ষকেই অৱহেলা কৰে। চলি বিলাকে আখৰ কেইটা চিনাতেই দুই তিনি বছৰ লয়। ৮।১০ খান কিতাপ চিৰে। ৭।৮ খন ফলি ভাঙ্গে। তথাপি বৰ্ণ পৰিচয় নহয়। ঘৰৰ সহায় নহৱাকৈ কেৱল স্কুলত পঢ়ি ৩৬৫ দিন ৫ ঘণ্টা

৫৯ মিনিত ৫৬ চেকেণ্ডত ৫২ টা আখৰ চিনা চলিক বৰ সৌভাগ্যবান্ বুলি ধৰিবা লাগে। চলি আৰু শিক্ষক দুইৰো বিশেষ চেষ্টাতো ৭ দিনৰ ভিতৰত এটা আখৰৰ লগত চিনা জনা হৱাটো ন শিখাৰুৰ পক্ষে টান, বৰ টান, অতি টান অত্যতি-অতি অত্যতি টান।

এনে শিক্ষা হোৱা পাঠশালা এখানত এক জন ট্রেইনিং পাছ শিক্ষকে ছাত্র পঢ়ায়। শিক্ষক জনে ট্রেইনিং স্কুলত অইন শিক্ষা পাওক বা নাপাওক পৰিদৰ্শকক ফাকি দিবা অতি সুন্দৰকৈ শিকি আহিছে। তেওঁৰ স্কুলৰ সমুখত এখন ফুলনি পাতিছে। শিক্ষাৰ সজুলিবোৰ বেছ যোগাৰ কৰিছে কিন্তু সেই বোৰৰ ব্যৱহাৰ অতি কম। গাঁৱৰ মানুহৰ পৰা পাচি, খাৰৈ, বিছনি আদি আনি স্কুলঘৰত আলাই থৈছে।

চাহাব বাহাদুৰ স্কুলক যাওয়াৰ আগতে শিক্ষকে চলিৰ হাতে হাতে শিক্ষাৰ সজুলি বোৰ দিছে, কিছুমান চলিৰ আগত সাজাই ৰাখিছে আৰু শাৰী নভঙ্গাকৈ ইফাল সিফাল কৰি লাৰি চাৰি থাকিবা দেখাই দিছে।

ইন্স্পেক্টৰ চাহাব বাহাদুৰ ডেপুটি আৰু চব্ইন্স্পেক্টৰক লগত লৈ স্কুলক গ'ল। প্ৰথমতে তেওঁৰ চখুত পৰিলে ফুলনি খান। তলতীয়া ইন্স্পেক্টৰ দুজনৰ ফালে চাই কলে It is a very nice flower garden. দুয়ো ইন্স্পেক্টৰে Yes Sir বুলি শলাগ ললে। স্কুল খান আছিল চব্ইন্স্পেক্টৰ মহোদয়ৰ চাৰ্কেলৰ। ফুলনি খান ভাল বোলা

দেখি তেওঁৰ বুকখান ফিও খাই উঠিল। এই খিনিতে কওৱা উচিত যে চব্ ইনস্পেক্টৰ মহাশয়ো ট্ৰেইনিঙৰ শিক্ষা পাওৱা। চাহাব বাহাদুৰ ঘৰৰ ভিতৰত সোমাই;—

Inspector—The School has got copious hand works too.

S. I.—Sir not only in this School but in all Schools in my circle you will see such hand works and flower Gardens. I have taken very keen interest in these useful things.

এনেতে D. I. আগ বাঢ়িল। S. I. মহোদয়ে in my circle বুলি কওৱাত দোষ হওৱা বুলি ভাবি তৎক্ষনাত কথাটো ঘূৰাই কলে। Sir our D. I. has issued circular to this effect with copious instruct ions. I am rather fortunate te serve under such immediate superior.

D. I. —Sir, although both of us are turning our mind to these useful things we are not neglecting the teaching side, rather we are paying more attention towards it.

Inspector— Yes, that is laudable. Well Sub-Inspector, are these things done here

at School or at home ?

S. I.—Sir, although some of these hand works are set as home exercises, most of them are done here under the direct Supervision of our teacher.

নহয়নেহে পণ্ডিত বেহিভাগ হাতৰ কামেই তোমাৰ আগতে লৰাই কৰে, অলপ অলপহে ঘৰত কৰে ।

পণ্ডিত বুজাৰ ঘৰৰ চলি । তৎক্ষণাত বুজি উঠিল

পণ্ডিত—(চাহাবৰ কালে হাত যোৰ কৰি থিয় হৈ)হুজুৰ অধীনে চব্ ইনস্পেক্টৰ মহোদয়ৰ হুকুম মতে বহু শ্ৰেণী শিক্ষা প্ৰণালী মতে রুটিন কৰিছো। তাত হাতৰ কামৰ বাবে এটা ঘণ্টা আছে। সেই ঘণ্টাত চলি বিলাকে হাতৰ কাম বোৰ মোৰ আগতে কৰে । কেতিয়াবা আধকুৱা এটা দুটা কামহে ঘৰত কৰিবা দিয়া হয় ।

Inspector —The methed adopted here is no doubt very good. It should be introduced everywhere. হাতৰ কামবোৰ কি কৰা পণ্ডিত ?

S. I.—Sir, These are sold in the nearest hat at the end of the session and necessary articles such as pen, pencil papar etc. are purchased with the price and distributed amongst the boys. নহয়নেহে পণ্ডিত এই বস্তুবোৰ

বেচা ধনেৰে চলি বিলাকক বস্তু কিনি ভগাই নিদিয়ানে ?

পণ্ডিত—(হাত যোৰ ) হুজুৰ অধীনে বছৰৰ শেষত হাতৰ কামবোৰ বেচি যি ধন পাও তাৰেই মাটিপেঞ্চিল কাঠ পেঞ্চিল, বহী, কাগজ আদি কিনি চলি বিলাকক ভগাই দিও। ডেৰাজৰ ওচৰক লাগি লৰি গৈ এক ডাল কাঠ পেঞ্চিল আৰু চাৰিডাল মাটিপেঞ্চিল হাতত লৈ, চাহাব বাহাদুৰক দেখাই ! হুজুৰ এইয়া এতিয়াও অধীনৰ হাতত এই পেঞ্চিল আছেই। আমাৰ সৰু সৰু চলি কেতিয়াবা ঘৰৰ পৰা পেঞ্চিল নানিলে বা বাতত হেৰুৱালে চলি বিলাকক ইয়াৰেই লিখিবা দিওঁ।

Inspector—Well Sub Inspector, will it not be better if the price of the articles is given to the maker ?

D I.—That is what is done here.

S. I.—Yes Sir, that is done; but in some Schools the makers are paid in kinds—not in coins, because the guardians are illiterate and poor. They spend the amount in buying oil salt etc. but boys are not benefitted. Our pupils sometimes do not get even a pice to purchase a piece of pencil .

Inspector—Yes the economic depression is prevalent throughout. Yov are hitting upon very good idea. ( ক ) মানৰ লৰাৰ কালে চাই—Which class

is this ?

S. I.—This is the lowest class.

Inspector—What are they doing ? What does the teacher do with these implements ?

S. I.—Sir, Some of them are learning alphabets and some tables of addition and subtraction. The teacher teaches them these tables up to ten with these seeds etc.

চাহাব—All right ( চলি বিলাকৰ ফালে চাই ) দুই আৰু চাৰি কিমান হয় ?

পণ্ডিতৰ অৱস্থা—চাহাব বাহাদুৰৰ পিছ পিনে থিয় হৈ আগহাতৰ পাঁচটা আৰু বাঁও হাতৰ তৰ্জ্জনী লগ কৰি দেখুৱাই দিয়াত লৰাই টপৰাই কৈ দিলে— ছয়। চাৰি পাঁচ জন চলিক এইদৰে যোগ নেওতাৰ প্ৰশ্ন সুধিলে। প্ৰত্যেক বাৰতে শিক্ষক মহাশয়ে হাতৰ আঙ্গুলিৰে সহায় কৰিলে। তেনে সহায় কৰাত পণ্ডিতে একো টান পাওৱা নাছিল, কাৰণ চবইনস্পেক্টৰ মহোদয়ে দহৰ ভিতৰতহে যোগ বিয়োগ শিখাৱা বুলি কৈছে। হাতৰ আঙ্গুলিও দহোটা। শেষ প্ৰশ্ন হল ৪ আৰু ৬ য়ে কিমান হয়। পণ্ডিতে আগৰদৰে দুই হাতৰ আঙ্গুলি মেলি দেখুৱাই দিয়াত লৰাই ১০ বুলি কলে। ইবেলি চাহাব বাহাদুৰে দহ কেনেকৈ লিখে সুধিলে। পণ্ডিতে বুধি কৰি বাঁও হাতৰ তৰ্জ্জনী আৰু আগ হাতৰ

বুঢ়া, তৰ্জ্জনা আৰু মধ্যম, মূৰ লগ কৰি বাকী আঙ্গুলি কেইটা লগ লগাই চলি বিলাকক দেখুৱাই দিলে। চলি বিলাকে পণ্ডিতৰ হাতৰ ফালে চাই কলে Sir—এক আৰু ফুটা।

চাহাব—ফুটা কি বুলি ওঁঠচেপা হাঁহি মাৰি ঘূৰিল। পণ্ডিত আগৰ হিচাবে হাতৰ মুজৰা দেখুৱাই থিয় হৈ আছে। চাহাব বাহাদুৰ ঘূৰাত পণ্ডিতৰ জীৱ উড়ি গল। লৰালৰিকৈ পূৰ্ব্বভাৱ এৰি হাত যোৰ কৰি কলে :—

পণ্ডিত—হুজুৰ সৰু চলি। সিহঁতৰ ভয় লাগিছে। শূন্যটোকে ফুটাৰ দৰে দেখি ভুলকৈ শূন্যটোকে ফুটা বুলি কলে হুজুৰ, অধীনে এই বোৰ শিখাইছোঁ। ( তৎখন ফলি চলিৰ হাতৰ পৰা আনি ) এইযা হুজুৰ, ৫০।৬০ লৈকে লিখিছে। একশলৈও, পাৰে।

চাহাব—অ' মই বুজিছো ( লৰাৰ ফালে ঘূৰি ) তোমালোকে ফুটা নকবা ( বোৰ্ডত লেখি ) এইটোৰ নাম শূন্যহে। ইয়াকে কৈ পৰিদৰ্শন ফৰম খান হাতত লৈ কলে :—Well Deputy, Inspector, the Pandit is getting only Rs 12/- a month. The School is very good one. He should be given an increment.

D. I.— Sir, last time his case was recomended but the Board had no money. However he will be surely given an increment

our S I. will note it down.

S. I — Sir, I am noting it down.

পৰিদৰ্শনৰ মন্তব্য খুব ভালেই আছিল। কিন্তু পণ্ডিতৰ দৰমহা বঢাই দিয়া কথা খিনি চব্‌ইনস্পেক্টৰৰ নোটবুকতে আছে। পণ্ডিতৰ গুণাৱলী ডেঃ ইঃ মহোদয়ে জানে বুলিয়েনেকি এতিয়াও সেই বিষয় হাতত লওৱা নাই।

চাহাব যাওযাৰ পাছত D. I. মহোদয়ে S I ক সুধিলে—হেৰি এই বেয়া স্কুল খনত এই বস্তুবোৰ পালে কেনেকৈ ?

S I. ঃ— চাহাব অহা শুনি গাঁৱৰ মানুহৰ পৰা হাতৰ কাম আদি আনাই থওৱা হৈছিল। আলিৰ কাষৰ স্কুলৰ বুলি ফুলনি খান পাতাই হৈছে; তাৰে কিছু কিছু ফুলগাছ চাহাবৰ মটৰৰ হৰহৰনিৰ লগে লগে পোতা।

ভালেই হল, কিন্তু অইন স্কুল চালে আমি লাজত পৰিলো হয় এই স্কুলৰ এক আৰু ফুটা কথাটো বৰ বেয়া হৈছে। পণ্ডিত জনেও অঙ্গি ভঙ্গি কৰি লিখি নেদেখুৱাই হাতৰ মুজৰা দি দেখালে। চাহাবে কিজানি দেখিছেই।

S. I. ঃ— আলিৰ কাষৰ স্কুল প্ৰায় আটাইবোৰতে এনে বন্দবস্তকে কৰা হৈছিল। এক আৰু ফুটাৰ কথানো কি কম ! দুষ্ট পণ্ডিত একো শিখোৱা নাই। বোধ কৰো পণ্ডিতৰ হাতৰ মুজুৰা চাহাবে দেখা নাই, কিয়নো তেওঁ আঙবিতাৰে হাত যোৰ কৰিছে।

# ত্ৰিলোক ভ্ৰমণ।

বহু পণ্ডিতৰ মত না না ঠাইত ঘূৰি ফুৰিলেহে মানুহৰ জ্ঞান পৰিপক্ক হয়। পঢ়াশালিত শিখা বিদ্যা পঢ়াশালিৰ চাৰিবেৰৰ ভিতৰৰ নিমিত্তেহে। সেই বিদ্যা সংসাৰিক কামত খাতাবলৈ আৰু সংসাৰিক জ্ঞান লাভ কৰিবলৈ হলে ভ্ৰমণেই আছল। সেই নিমিত্তে তোমালোকে কাজ কাম এৰি ৰেলে, জাহাজে, মটৰে, বাইছিকলে, বাটে, পথে, টৌ টৌ কৰি ঘূৰি ফুৰিবা, ঘাহনিতো চৰিবা।

মই সাংসাৰিক জ্ঞান লাভ কৰিবলৈ বুলি নানা ঠাই ঘূৰি ফুৰিছো। ব্ৰহ্মালোকলৈ গৈছো। ব্ৰহ্মালোকলৈ যাওৱা বৰ কষ্ট। পৃথিবীৰ সীমা এৰি ব্ৰহ্মালোকত ভৰি দিয়া মাত্ৰেই কোনোৱে কৈ নিদিয়াকৈ ব্ৰহ্মালোক বুলি চিনি পায়। তাত বৰ্ত্তমান সভ্যতাৰ নাম গন্ধ নাই। বাট পথবোৰ বৰ বেয়া, সৰু সৰু। গঢ় কাপ্তানি অফিচ, লোকেলবৰ্ড, মিউনিচিপ্যালিটি নাই। ৰেল জাহাজ, মটৰ, বাইচিকল নাই আইনাৰ গিলাচ বোটল আদি নাই, এনামেল আৰু এলুমিনামৰ বাচন বৰ্ত্তন নাই, মাটিৰে ৰং চং কৰি সজা পিৰিচ পিয়লা নাই, সুবাসীত তেল, সুগন্ধি এসেঞ্চ, বাচ ওলোৱা মুখত ঘহা পিঠাগুৰি, ৰুমাল, বাহাৰৰ কাপোৰ কানি একো নাই। প্ৰধান কথা চাহ, বিড়ি, চিগাৰেট নাই। মদ এটুপিও নাই। এইবোৰ বস্তু ব্যৱহাৰ কৰাটো দূৰৰ কথা মানুহ বিলাকে এইবোৰৰ নামকে নাজানে। যানবাহনৰ অভাবত বাট কুৰি বাই ফুৰে। বাহঁৰ চুঙা, মাটিৰ তাৰি

আৰু কলহত পানী খায় আৰু পনীয়া বস্তুবোৰ আনা নিয়া কৰে। কাহ পিতল আদি ধাতুৰ বাচন বৰ্ত্তন বোৰ মাটিৰে ঘোঁহে আৰু পানীৰে ধোৱে, কাহ পিতল আদি ধাতুৰ গন্ধ থাকে। আমাৰ সভ্য সকলৰ বাচনৰ দৰে চাবনৰ গন্ধ নাই কাপোৰেৰেও নোঘোঁহে। বৰ বেয়া দস্তুৰ। মানুহবোৰ সেই ষাঠিকলীয়া সভ্যতা আৰু অসভ্যতাৰ সীমাতে বৈ আছে। সাতাম পুৰুষীয়া স্বভাৱ আৰু দস্তুৰ এৰিবাই পৰা নাই। মানুহ বোৰ কিন্তু বৰ অতিথি প্ৰিয়। বাটত যাওতে সিহঁতৰ পৰা বেচ আদৰ সাদৰ পাইছিলো।

যান বাহানৰ অভাৱত বাট কুৰি বায় ব্ৰহ্মালোক ওলালোগৈ। জেপৰ পৰা এটা ভিজিটিং কাৰ্ড উলিয়াই লৈ ব্ৰহ্মাৰ বঙ্গলাৰ দুৱাৰ মুখত থিয় হৈ চাপ্ৰাচি বা আৰ্ডালি চাহাবলৈ বাট চাই আছো। বঙ্গলাৰ ভিতৰফালে মানুহৰ মাত শুনো কিন্তু কোনো ওলাই নাহে। মানুহ মাতিবলৈও ভয় লাগে। মাজে মাজে সাৰি কৰা ভাবে দুটা এটা মিছাকৈ কাহ মাৰো তাতো বুকু কপি উঠে, কি জানি কিবা দায় দোষ লাগে অসভ্য বুলি গতিয়াই উলিয়াই দিয়ে। ৰ-লাগি, তৎ পৰি চাই থাকোতে চখুৰ পিনে টান পৰিল, ভৰিয়েও গাৰ ভৰ সহিব নৰো নৰো লগালে।

কি কৰো ভাবি চিন্তি বৈ আছো। অকস্মাত মহশিঙ্গীয়া গোফ থকা দীঘল পাগুৰি মৰা বৰ চৰা মানুহ একজন ওলাই আহিল। চেহৰা আৰু গোফৰ ভমক দেখি ব্ৰহ্মা বুলিয়ে ভাবিলো। ভাগ্যে চতুৰ্ম্মুখ নহয়,

সেইহে আওাজটো মিছাত পৰিণত হল। গুফীয়া কাষলৈ আহি সুধিলে 'তই কোন?"

মই ঃ— মই নৰ মনিষ, মোৰ নাম আচাৰ্য্য মহাশয় মোৰ ঘৰ বা বসতিস্থান পৃথিবীত।

গুফীয়া—ইয়াক কেনেকৈ আহিলি? কিয় আহিলি?

মই—ভৰিৰে বুলি বলি আহিলো। ব্ৰহ্মাদেৱৰ লগত দেখা কৰিবলৈ আহিলো।

গুফীয়া—মই দেখোন ব্ৰহ্মাৰ লগত পৃথিবীত ফুৰি থাকো। তোক দেখা মনত নপৰে। থিক কথা কছোন।

মই—আমি নিমাসিত জীবক ডাঙৰীয়াই নিচিনিব পাৰে। চিনিবাৰ কাৰণো একো নাই। সঁচাকৈ কৈছো—মই পৃথিবীৰ পূৰ্ব্ব গোলাৰ্দ্ধৰ এচিয়া মহাদেশৰ অন্তৰ্গত ভাৰত নামে দেশৰ পূব চুকে থাকা আসাম প্ৰদেশৰ নামনি আসামৰ কামৰূপ জিলাৰ, গুৱাহাটী সদৰ মহকুমাৰ, ৰঙিয়া চাৰ্কেলৰ পূৰ্ব্ব বন ভাগ মৌজাৰ বৰ ধনৰা গাঁৱৰ মানুহ। এই কথা খিনি একে উশাহে কওঁৱাত মোৰ খৰ উহনি ধৰিলে।

গুফীয়া—কিয় এনেদৰে কথা কৈছ? উশাহ পাহৰিবি।

মই—মোক ব্ৰহ্মাৰ লগত দেখা কৰাই দিয়ক ডাঙৰীয়া! তেখেত মোৰ পিতামহ—আতা হয়। মই তেখেৰ নাতি।

গুফীয়া—ৰবি মই ব্ৰহ্মাৰ আগত তোৰ কথা কওঁগৈ। ব্ৰহ্মাৰ ঘৈণীয়েক ব্ৰাহ্মীয়ে কিছু পৰৰ মূৰত মোক

মানুহ জনৰ হতুৱাই যা-জলপান খুৱালে। মই ব্ৰহ্মাৰ বঙ্গলাৰ এটা কুঠৰীত বহিলো। গুফীয়া তাৰ ঘৰক গল। সি বেটা গুফীয়াক ব্ৰহ্মাই বঙ্গলাত থাকিবা নিদিয়ে। বঙ্গলাৰ পৰা অলপ দূৰত কিছুমান সৰু সৰু ঘৰ আছে। সেইবোৰৰ এটাও বঙ্গলা নহয়: প্ৰত্যেকটোৱে অসমীয়া। গুফীয় তাৰে এটা অসমীয়াত থাকে।

কিছুপৰৰ মূৰত মই বহা কুঠৰীটোৰ দুৱাৰ মুখক লাগি আহি ব্ৰাহ্মীয়ে মাত লগালে। মই ঘূৰি চাই বুঢ়াক দেখি টপৰাই মই আবু বুলি আবুক প্ৰণাম কৰিলোঁ। থিয় হৈ উঠি গৈ সশৰীৰে গাটো হালাই অঠুকাঢ়ি মূৰটো আবুৰ ভৰিতে লগাই দিলো। বুঢ়ায়ে মোৰ মূৰত ধৰি কুলাই পাচি নধৰাকৈ আশীৰ্ব্বাদ কৰি ভাহাই দিলে। আশীৰ্ব্বাদৰ ভৰত মই উঠিব নোৱাৰিম বুলি ভাবি মোৰ কপালৰ আগত হাত দি উঠাই দিলে। ভাল বেয়া কথা বাতৰা সুধিলে। মই ব্ৰহ্মালোকক অহাৰ কাৰণো সুধিলে। মই তেওঁক চাবা আহা বুলি কলো। আবুয়ে কলে—তই আজি ইয়াতে থাক, থাই খান চাই চিন্তি লউ, কাইলৈ ঘূৰি যাবি। তোৰ আত্তাই নতুন সৃষ্টি কৰিবা খুজিছে। উৰণ, বুৰণ, গজন, ভ্ৰমণ চাবি মুঠি, জীৱৰ ছবি আঁকিবা ধৰিছে। ছবি আঁকা শেষ হলে জীৱ দিব। তেওঁৰ সময় নাই। তোৰ লগত কথা বাতৰা হবা নাৰে।

মই সুধিলো যদি আত্তাই নতুন সৃষ্টি কৰে তেন্তে

আমাৰ কি বিলাই হব ' বুঢ়ায়ে খং কৰি এৰে কুবে ভিতৰৰ ফালে মুমাই যাবা ধৰিলে। কৈ গল "মই সেইবোৰ কথা তোক কিয় কম।" মই নাচোৰবান্দা এৰিম কিয় ? আবুৰ কাপোৰৰ আচলত ধৰিলো। আবুয়ে বকি জকি আতাৰ ওচৰ পালেগৈ। আবুৰ বকনি জৰ্কনি ডাবি ধমকি শুনি আতাই মোৰ পিনে চালে। মই আবুৰ আচল এৰি আতাক ভৰিত ধৰি প্ৰণাম কৰিলো। আবুয়ে মোক দুষ্টলৰা বুলি গালি শপনি দি. হাত ডাঙ্গি ডাঙ্গি মাৰিবা ভয় দেখুৱাই আছে। হাত খন মোৰ গালৰ পিনে আহিলেই মই গাল খান কাষাৰ কৰি দিওঁ। আবুয়ে লগ নাপায়। শেষত কলো—আবু. পৃথিবীত আতা আবু বিলাকে নাতিয়েকক নামাৰে। বৰ মৰম কৰে। আপুনিও মোক মৰম কৰোক। মোক এটা চুমা খাওক। আবুয়ে কৈছে—তোক হেন কৰিম, তোক তেন কৰিম, এইচা কৰিম, তেইচা কৰিম আমুক কৰিক, তমুক কৰিম ইত্যাদি। তই কিয় মোৰ ঘৰত সুমাইছহি ? ওলাই যা। সৃষ্টিৰ বিষয় নুসুধিবা লাগা কথা সুধিবা আহিছে—কটা দুষ্ট, বন্দা"। মই মুখ মেলিলো—হয় আবু, সুধিছো, কওকছোন। বুঢ়ী খং কৰি ওলাই যাবা খুজিছিল। কিন্তু মই দুৱাৰ মুখ খান আগুৰি থিয় হৈ থাকাত নৰিলে।

আমাৰ বাক্ বিতণ্ডা শুনি পিতামহ ইবেলি জজ অৱতাৰ। দুইকো বঢ়াই বুজাই নকৰাকৈয়ে হাতত লওৱা

গাচৰখান মাতমিতৰ বন্দবস্ত কৰিলে। মোক কলে "তই তৰি মানুহক সৃষ্টিৰ কথা সুধিছ কিয় ? কথাটো তোৰ আগত উলিওৱা তেওঁৰো ভুল হৈছে। মই সদায় জীৱ সৃষ্টি কৰো। বোধ কৰো তেওঁ তাকেহে কৈছে। তুইয়ো কাজিয়া নকৰিবি, মনে মনে থাক, গুছি যা"।

মই—নহয় আতা নতুন সৃষ্টি কৰাৰ কথা কৈছে। আপুনি মোক কথাটো ভাবিলে।

ব্ৰহ্মা— নাই ভাৰা, সেইয়ে নতুন সৃষ্টি

মই—এই ছবি বিলাক আঁকি যে জীৱ দিয়ে আগেয়ে জীৱটো হাতত লৈ সুন্দৰ ছবি কৰি, নিদিয়ে কিয় ?

ব্ৰহ্মা—পাগালমী, আগেয়ে জীৱ দি ছবি আঁকিলে শৰীৰৰ কোনো ঠাইত তুলিৰ ঘহনি লাগি দুখ পাব। জীৱবোৰে চিঞৰিব। মই বুঢ়া। হাত কঁপে। ছবি আঁকাত কুঠগুৱা হলে জীৱই তাৰ ভিতৰত সুমাই থাকিবা নানা আপত্তি দৰ্শাব। এতিয়া নিৰ্জীৱ ছিত্ৰবোৰে জীৱ পালে জপিয়াই উঠে আনন্দতে বিহ্বল হয়। জীৱে আনন্দতে সুৰূপ বা কুৰূপৰ আপত্তি কৰিবলৈ ভুলে

মই—হয়, হয়। আপুনি এইটো থিক কৈছে। নতুন সৃষ্টিৰ কথা আৰু আমাৰ অৱস্থাৰ কথাটোও নকয় কিয় ?

ব্ৰহ্মা—ই সচাকৈয়ে দুষ্ট। মই কাৰো অৱস্থাৰ কথা নাভাবো, কেৱল সৃষ্টিহে কৰো। তই ইয়াৰ পৰা গুচি যা।

এই বুলি অৰ্দ্ধচন্দ্ৰ দি উলিয়াই দিলে। দুৱাৰ খান ভিতৰৰ পৰা বন্ধ কৰি দি ছবি আঁকিবা ধৰিলে। মাজতে ওঁ

কৰি উঠিল। হঠাৎ দুজন দূত আহি চখুৰ পলকতে মোক কৰবালৈ লৈ গল। ব্ৰহ্মাৰ পুৰীখান ঘূৰাই লৈ ফুৰালে। তাত চাবা লগীয়া একো নাই। ঠাই খান নেহাত গাঁৱলীয়া। ব্ৰহ্মাই বস্তুবোৰ ভৰালত থৈছে। দেখাত সাধাৰণ ফল-ফুলৰ এখন বাগিছা পাতিছে। এটা ডাঙৰ পুখুৰীত এক পুখুৰী পানী ভৰাই থৈছে। পানী পুখুৰী চলচলীয়া হৈ আছে। অন্যান্য ঘৰ-দুৱাৰ, দোকান-পাহাৰ, বাট-পথ, হাবি-জঙ্গল আদিত চখু দিবাৰ একো নাই। দূত দুই জনে মোক ঘূৰাই পকাই আনি পৃথিবীৰ সীমাত থৈ দি, আহিবা কলে। মোৰ ব্ৰহ্মা বা ব্ৰাহ্মীৰ লগত আৰু দেখা নহল। ব্ৰহ্মাৰ এনে ব্যৱহাৰত মই মনত বৰ দুখ পালোঁ। মনে মনে ভাবিলোঁ; এওঁৰ এই দুৰ্ব্যৱহাৰৰ নিমিত্তে ভৃগু মুনিয়ে এওঁৰ পূজা পাতল লোপ কৰিছে, ভাল হৈছে।

দূত দুজনক শিৱলোকলৈ যাওৱা বাট সুধিলোঁ। সিহঁতে মোক এটা বাট দেখুৱাই দি কলে যে পোনে পোনে গৈ থাকিলেই শিৱলোক পাৱা যায়।

শিৱলোকলৈ বাট ললোঁ। ইয়াৰ বাট পথ অতি জঘন্য। ব্ৰহ্মালোকলৈ যাওৱা বাট সৰু সৰু হলেও যাবলৈ বাট আছে। শিৱলোকক যাৱা বাটেই নাই বুলিবা লাগে। ভীষণ জঙ্গলৰ মাজেদি সুৰ-সুৰীয়া বাটৰ চিন মাত্ৰহে আছে। বাঘেখাই নে বনৰীয়া হাতীয়ে মাৰে স্থিৰ কৰিবই নোৱাৰি। ইপিনে সেই পিনে বহুদূৰ জঙ্গল

ভাঙ্গি গৈ পাহাড়ত উঠিলোঁ। পাহাড়ৰ বাটবোৰ আকা পাকা, বেকা বেকা। মাজে মাজে পৰ্ব্বতৰ কুৰুং। পানী বোৰত ভৰি দিবাই নৰি, মৰ টেকি। উপৰত নগ্ন, অৰ্দ্ধ লগ্ন কিছুমান ভূত পিশাচৰ লতা, পাত, শুখানা খেৰ আদিৰে সাজা ঘৰ। কাৰো কথা বাতৰা একো বুজিবাই নৰি। নানা অঙ্গি ভঙ্গিৰে কথা পাতি শিৱ লোকলৈ যাওয়া বাটৰ কথা সুধিলো। মহাদেৱলৈ শোথা তোলা অলপ ভাং লগত লৈ গৈছিলো। তাৰেই অলপ ভাং দি তিনি জন ভূতক ফুচুলাই ফাচালাই মোৰ লগ কৰি ললোঁ।

ইয়াত ধান আদিৰ ফচল নাই। আলু, কচু ফল ফকৰ আদি খাইহে থাকিবা লাগে। সেই বোৰ খাই পেটৰ অসুখ হওৱাৰ ভয় কৰিছিলো কিন্তু পানীতো বৰ ভাল। পানীয়ে সকলোকে হজম কৰি দিয়ে। পৰ্ব্বত পাহাৰ বগাই কেইদিন গলো কবাই নৰো। দিনৰ সংখ্যাক পাহৰিলো। ভূত প্ৰেতবোৰে খাই মাৰে বুলি মোৰ ভয়ত তত নাই। ভূত প্ৰেত বোৰেও কিন্তু মোক দেখি ভয়তে আলু থালু খাই হাবিয়ে বনৰ মাজে সুমাই যাবা ধৰিলে। পৰ্ব্বত পাহাড় বগাই ফুৰাতে আৰু উঠা নামা কৰোতে ভৰিও প্ৰায় অৱশ।

দুখে কষ্টে শিৱলোক পালেগৈ। শিৱৰ বস্তীৰ সমুখৰ ফালে ভৰি দিছোহে বান্দৰ মুখীয়া দুই বীৰ পুৰুষ ষষ্টি হস্তে আগমন। ভয়ত মোৰ দুই দুৱাৰ খুলি যায় যেন

পালোঁ। সাহসত ভিৰ দি কোনো মতে কৰযোৰে তুইৰে। আগত থিয় দিলোঁ। কত ভূত-প্ৰেত যক্ষ-পিশাচে মোক চাবা চাৰিওফালে আগুৰি ধৰিলে। বীৰ সাজে আহা চিপাহী তুজনত বাজে বাকীবোৰ দূৰতে থিয় হৈ কিবা বাং বাং বিং বিং খান গাবা ধৰিলে। হে মোৰ বাপা, মোৰ মূৰৰ খোলা তাড়িলে। চিপাহী তুজনে মোৰ পৰিচয় আৰু শিৱলোককৈ অহাৰ কাৰণ সুধিলে। মই ব্ৰহ্মালোকতে কৱাদাৰে চিনাকাটৈ দিলোঁ। সিহঁতে হাঁহিলে। সিহঁতৰ মুখত হাঁহি দেখি মোৰ সাহস বাঢ়ি উঠিল। সিহঁতৰো পৰিচয় সুধিলো। সিহঁতে ক'লে যে সিহঁত তুইয়ো শিৱ আৰু শিৱানীৰ শৰীৰ ৰক্ষক আৰু পুৰী ৰক্ষক। নাম নন্দী আৰু ভৃঙ্গী। মইয়ো এটা হাঁহি মাৰি কলো— ভাইহঁত, মই তহঁতৰ নাম শুনিছোঁ। ব্যৱসায়ো জানো। চিনা জানাহে নাছিল। মুখামুখী হলো ভালেই হল। মোক মহাদেৱৰ লগত দেখা কৰাই দিবা লাগে। সিহঁতে কলে—ভাই, তই বেয়া সময়ত আহিলি। বাবা সফৰ ফুৰি আহি এই মাত্ৰ বলধটোৰ পৰা নামিছে, মা ভগৱতীক ভিক্ষা-জোলোঙ্গা খান দি কিবা কথা পাতিছে। তাৰ পাছত গা ধুব, যোগ ধ্যান কৰিব, প্ৰসাদ খাব, তেতিয়াহে আজৰি। তোৰ আজি দেখা কৰা নহব। অতিথি থাকা ঘৰ আছে, তাতে থাক আহি। আমি দেখাই দিওঁ। মা ঠাকুৰানীক কৈ খাবা বৰা দিম। ইয়াকে কৈ পিশাচ তিনিটাৰে সৈতে মোক এটা চাং ঘৰত

সুমাই দিলে। তাৰ পৰা শিৱা আৰু শিৱানী থাকা ঘৰ তুৱাৰবোৰ আঙ্গুলিয়াই দেখাই দিলে।

ব্ৰহ্মাৰ এটা থাকা বঙ্গলা আছে চাকৰ নাকৰবোৰ থাকিবলৈ কেইটামান অসমীয়াও আছে। শিৱৰ কিন্তু বঙ্গলা বা অসমীয়া এটা ঘৰো নাই। আটাইবোৰ হিন্দু-স্থানী। প্ৰজাবোৰ যেনে চাং ঘৰত থাকে শিৱো তেনে ঘৰত থাকে। ধাতু বা মাটিৰ বাচন বৰ্ত্তন নাই। বাঁহৰ চুঙ্গাত পানী খায়। কাহি বাতি আদি শিল বা কাঠেৰে সাজা।

শিব-শিবানী থাকা ঘৰটোৰ এক মূৰে এক ডোখৰ দীঘলীয়াকৈ বঢ়াই দিছে। তাত চাঙ্গ নাই, তাক নিচাঙ্গ বোলে। শিবানীয়ে বৰ ডাঙৰ ডাঙৰ কেইডালমান কাঠত জুই লগাই দি তাতে এটা ধুনি জালিলে। মহাদেব গা ধুই আহি বাঘৰছাল পাৰি ধুনিৰ ওচৰত বহিল। শিবানী ধুতুৰাৰ গুটি, ভাং খুন্দা আদি লৈ আহি ধুনিৰ কাষত বহি খুটুং খুটুং মাৰি সেইবোৰ গুৰা কৰিলে আৰু তাৰ লগত অলপ ফুটীয়া গাখীৰ মিহলাই বাবাৰ পিনে আগ-বঢ়াই দিলে। অলপ পাছত গিৰিয়েকৰ পৰা বিদায় লৈ শিবানী ৰন্ধন শাললৈ গল। ভিক্ষা জুলি খান খুলি চাই অলপীয়া বস্তু দেখি বকিবলৈ ধৰিলে। বকি জকি ধপধপাই, ঝপঝপাই, কপকপাই ৰান্ধি-বাঢ়ি সকলোকে খুৱালে। নকলেও হব মহাদেও যোগধ্যান, আসন নিসি-ধ্যাসন, ঘোটাপিবন, গাঞ্জাপিৱন, আদি কৰাত বহু ৰাতি

হৈছিল আৰু শিবানীয়ে গিৰীয়েকক খুৱাই ধূৱাইহে আনক খাবলৈ দিছিল। মহাদেৱ কেতিয়া ঘুমাল কবাই নোৱো। আকৌ আধা ৰাতিতে উঠি গা পা ধুই যোগধ্যান কৰিছে। মই টুপনিৰ পৰা উঠি বাবাক ভাং টানি বহি থাকা দেখিলো।

বেলি হল। শিবানীয়ে কবা ধৰিলে, "জুই সাবতি ভাং টানি, বহি থাকিলে হবনেকি? কাকো নাযায় নে"? মহাদেৱে নন্দী ভৃঙ্গীক বলধটো সাজাবা হুকুম দিলে। নন্দী ভৃঙ্গীয়ে বলধটো সজাবাহে খুজিছে, কৰবাৰ পৰা এটা সিংহ আহি গৰ্জ্জনি মাৰি বলধটোক খাবা মুখ মেলি খেদি গল। বলধটো ভয়তে সোতোৰা পৰি মহাদেৱৰ কাষলৈ লৰ দিলে। সিংহটোৱে খেদি গৈ চখুৰ কাষাত নখেৰে এটা আচৰা মাৰি দিলে। মহাদেৱে হ্যাহ. হ্যাহ. কৰি খেদি তিন-শিঙ্গীয়া লাঠি ডালেৰে সিংহ-টোৰ ভৰিত কুব মাৰি দিলে। কুব খাই সিংহই ভাঙ্গা ভৰিখান ডাঙি, বাকী তিনি খানৰ উপৰত ভৰ দি জাপিয়াই জাপিয়াই কান্দি কান্দি গুজৰি ফুৰিবা ধৰিলে। সিংহৰ কান্দান শুনি শিবানী লৰদি ওলাই আহিল। ভাঙ্গি থাকা ভৰি খন পিহি দিলে। সিংহই নানাদৰে আদাৰ ধৰিলে। শিবানীয়ে গিৰীয়েকক বকিব ধৰিলে। মোৰনো সিংহটোৱে কি কৰিলে? কিয় এনেকৈ মাৰিলে? বেছে-ৰাৰ ভৰি খন ভাঙি গ'ল। মৰ বলধটো!! খাই বৈ লোধোমা হৈ গৈছে, লৰিবাই নৱে। মোৰ সিংহটোৱে

যে একো নকৰে। কেতিয়াবা অলপ ধেমালি কৰিবা খুজিলেই সি মিছামিছিকৈ ভয়তে লৰি গৈ তেওঁৰ আগত গোচৰ দিয়ে। মোৰ সিংহটো, এহে, কেনে লেৰেলা হৈ গৈছে"। এইবোৰ বকি মিলি সিংহটোৰ গালতে দুটা চৰ মাৰি দি কলে "মৰা তই কিয় সেই বলধটোৰ ওচৰলৈ যা অ"? তাৰ পিছত সেই তিনঠেঙ্গীয়া সিংহটোৰ কাণত ধৰি টানি নি ঘৰত সুমাই থলে। খাবলৈকো কিবা দিলে। সিংহ মনে মনে শুই থাকিল। মোৰ বৃষভটোক খামচি তেজ উলিয়ালে বুলি মহাদেৱেও আচাৰাটোৰ উপৰত ভাঙৰ ছাই ঘুঁহি দিলে।

ইয়াৰ পাছত মহাদেৱে বাঘৰ ছালখান পিন্ধো বুলি টান মাৰাতেই তাৰ ভিতৰৰ পৰা এটা ইন্দুৰ ওলাই লৰ দিলে। মোৰ বাঘৰ ছালখান কুটিলে বুলি মহাদেৱে ইন্দুৰটোৰ উপৰত ভাং খুন্দা ডাংডাল মাৰি দিলে। ইন্দুৰে কঁপি কঁপি খিচি মিচি লগাই দিলে। ইন্দুৰৰ খিচিমিচিত এটা হাতীশুঁড়ৰ ডেকা. ভাঙ্গা পাচি হেন পেটটোৰে সৈতে তাত উপস্থিত হল আহি। এওঁৰ নাম গণেশ। চলিটো নাওপেটা, মূৰটো হাতীৰ। শুড়ডাল ভাজ লগাই জোকাৰি থাকে। দাঁত এটা। হাত মুঠেই চাৰিখান। এনাই হেন পুৰুষটো ইন্দুৰটোৰ কাষ চাপি চিঞঁৰি কবা ধৰিলে 'পিতাই মোৰ ইন্দুৰটোক মাৰিলে ঐ"। ইয়াকে কৈ তাৰ গাটো পিহি পিহি কিবা ৰঙা গুৰা কেটামান ঘুহি দিলে। ইন্দুৰ সাৰ্থিল। গণেশে ইন্দুৰটোৰ লেজত ধৰি ভিতৰক লৈ

গল। যাওঁতে কৈ গল পিতাৰ নিমিত্তে আমাৰ যান বাহন বোৰ থাকিবাই নৰা হল"। মহাদেৱৰ বাঘৰ ছাল খান চাৰি পাঁচ ঠাই কূটিলে। সেই কূটা ছাল খানকে জাৰি জোকাৰি পিন্ধিলে।

কৰবাৰ পৰা কেইটামান ফেটী সাপ মহাদেৱৰ ফালে হিচি হিচি কৰি লৰি আহিল। পাছে পাছে এটা ময়ৰা চৰাই খেদি আহিছে। সাপবোৰ মহাদেৱৰ গাত উঠিল। মহাদেৱে হ্যাহ কৰি ময়ৰা চাৰাইটোৰ পিঠিত হাতত লওৱা তিন শিঙ্গীয়া লাঠি ডালেৰে কুব মাৰি দিলে। ময়ৰাই এখন পাখা ওলোমাই ক্যাকা ক্যাকা কৰি চিঞৰিবা ধৰিলে। "মোৰ ময়ৰাটোক মাৰিলে ঐ" বুলি এক ধনুধাৰী চেঙ্গৰা ওলাই আহিল। এওঁৰ নাম বোলে কাৰ্ত্তিক। চেহেৰাখান চখু দিলে চখু ৰওয়া। মুখ মুঠতে ছয়খান। এওঁ ময়ৰাটোৰ ওচৰ চাপি শৰৰ অগেৰে ভাঙ্গা পাখা খান কোটালি দিলে। গামূৰ পিহি ময়ৰাটোৰ গলত মুঠামাৰি ধৰি ঘৰত সোমাল। মহাদেৱে ময়ৰাই খুটিওৱা সাপ কেইটাৰ গাত ভাঙৰ ছাই ঘূহি দিলে।

ঘৰ খনত খৰিয়াল লাগি উঠিল। এক পক্ষে দুৰ্গা, গণেশ আৰু কাৰ্ত্তিক; অপৰ পক্ষে স্বয়ং মহাদেৱ। মাক পুতেক তিনিও ঘৰৰ ভিতৰত, বুঢ়াটি বাহিৰত। ভিতৰত থাকা তিনিওজনে বুঢ়াটোক বেয়া বোলে, দোষ দিয়ে। বুঢ়াইও বাহিৰৰ পৰা মাজে মাজে একোটা গৰ্জ্জনি দিয়ে। কিন্তু গৰ্জ্জিলে কি হব? অকল দুৰ্গাৰ আখান মুখকে

মহাদেবৰ পাঁচমুখেও বলে নৰে, তাতে লগ হৈছে গণেশৰ হাতীমুখ আৰু কাৰ্ত্তিকৰ ষড়ানন। নন্দী ভৃঙ্গী ভূত প্ৰেত আৰু অন্য সকলে দূৰৈৰ পৰা শুনি আছে। কোনোৱে একো নকয়। আমাৰটো কথাই নাই। মাত বোল বন্ধ কৰি কাণ পাতি আছোঁ। শিবৰ ঘৰত যান বাহনৰ যুঁজ দেখিলোঁ। সেই বোৰৰ যুঁজ ভাঙ্গিল। যেয়ে যেনেকৈ হওক মাৰ কিল খালে। তাৰ পাছত চিকিৎসা হল। সুশ্ৰূষাও চলিল। এইবোৰ হল। এই খৰিয়াল-খান ভাঙ্গি দিয়ে কোনে, ঘাটা জিতা হয় কাৰ? এইদৰে ভাবি চিন্তি থাকাতে বুঢ়াই কলে "ইহঁত মাক পুতেকৰ অত্যাচাৰত ঘৰত থাকিবা নৰি"। এই বুলি বলধটোৰ পিঠিত উঠি ঘৰৰ পৰা গপ্ গপাই ওলাই গল। মই দেখিলো বুঢ়াটোহে ঘাটিল।

নন্দীভৃঙ্গীয়ে দুৰ্গাক বাতৰা কলে যে মহাদেব খং কৰি লঘনে ভোখে গুচি গল। দুৰ্গাই কলে "হে গণেশ হে কাৰ্ত্তিক বাপেক মাতি আন। নন্দীভৃঙ্গী ভূত প্ৰেত কোন ক'ত আছে, যা তেওঁক মাতি আনগৈ"। আটাইবোৰে লৰ ধৰিলে। কাৰ্ত্তিকে সেই পাখা ভাঙ্গা ময়ুৰাটোত উঠি গৈ বুঢ়াক লাগ ধৰিলে। গণেশেও ককাল ভাঙ্গা ইন্দুৰটোৰ পিঠিত বহি কেলধেপ্ কেলধেপ্ কৰি বাপেকৰ ওচৰ পালেগৈ। মহাদেবক কোনোৱে ঘূৰাই আনিবা নৰিলে। আটায়ে ঘূৰি আহি দুৰ্গাক খবৰ দিলে।

দুৰ্গা খঙত জ্বলি উঠিল। বকিবা ধৰিলে। "মই

সেই ৰাতিয়ে উঠি তেওঁক ধুনি জ্বলাই দিলো। ঘূটা, ভাং আদি বনাই দিলো। ভাত পানী ৰান্ধিলো। এতিয়া তেওঁ লঘনে গল। কোনোৱে মাতি আনিবা নৰিলি তইঁতক-ভূতবোৰক-খুৱাম। নালাগে থাকক। আজি কাকো ভাত নিদিওঁ। সকলে লঘনে থাক” অলপ পৰ তলকা মাৰি নন্দীৰ ফালে চাই কলে “চাও নন্দী, মোৰ সেই সিংহটো আন। নন্দীয়ে সিংহ আনি দিলে। দুৰ্গা সেই তিনঠেঙ্গীয়া সিংহটোৰ পিঠিত উঠি, বহি লৈ যা বুলি লেজ মুচৰি দিলে। সিং জাপিয়াই লাফিয়াই যাবা ধৰিলে। সিংহ যাওয়া গম পাই বুঢ়া বলধে টিকা চিঙ্গা লৰ দিলে। কিন্তু সিংহই কেই হাফলা মান গৈয়েই বলধক লাগ ধৰিলে। দুৰ্গাই গিৰিয়েকক কিবা কিবি বঢ়াই বুজাই কলে। বাবা আশুতোষ; সন্তুষ্ট হল। ঘৈনীয়েকে সৈতে ঘৰক উলটি আহিল।

ইবেলি ঘৰ খান তেনেই জিম পৰা। কাৰো কতো মাত বোল নাই। গণেশ, কাৰ্ত্তিক, ইন্দুৰ, ময়ৰা, ভূত, প্ৰেত আদি সকলোৱে বাবাক প্ৰণাম কৰিলে। মইও কোনোৱে নেদেখাকৈ চালাম এটা দিলো। বাবাই সকলোকে অশীৰ্ব্বাদ দি হাঁহি মাৰিলে পঞ্চমুখ উজ্জলি উঠিল। দুৰ্গাই তেওঁক ভিতৰক নি খুৱাই ধুৱাই উলিয়ালে। ভাং ঘূটা আদিৰে মুখ শুদ্ধি কৰালে। সব শেষত বুঢ়াক দহহাতেৰে সাবটি ধৰি দুৱাৰ মুখলৈ নি আগ বঢ়াই থলে। ভূত প্ৰেত বোৰ গীত পদ গাই চাপৰি বজাই বাবাৰ লগে

লগে গ'লাল। সিহঁতৰ মাজত স্থমাই বাবাও বলধটোত উঠি গুজুং গুজুংকৈ যাবা ধৰিলে। তুৰ্গা ঘূৰি আহিল।

পিছ আৰু তুৰ্গা একে লগে তুৱাৰ মুখলৈ যাওতে মন কৰিবা লাগা কথা এইযে তুৰ্গাৰ সুন্দৰ চোচা মাজা গোৰাত পৰা দীঘল চুলি, মহাদেৱৰ মূৰত কূট কুৰা জটা জুটা। তুৰ্গাই পিন্ধিছে পাট পীতাম্বৰ, মহাদেৱৰ সেই ইন্দুৰে কুটা বাঘৰ ছাল। তুৰ্গাৰ গলত হেমহাৰ, মহাদেৱৰ গলত কেইডাল মান সাপ। তুৰ্গাৰ মুখ খান কেচা হালধি হেন টকৃটকীয়া। মহাদেৱৰ মুখত নহয় গোটাই গাতে ছাই ভস্ম। ইয়াৰ পাচত আমাক খাবা দিলে। কাৰ্ত্তিক মাজতে, গণেশ আগহাতে, মই বাওহাতে বহিলো। কাৰ্ত্তিকে ছয়ো মুখে খায়। যেতিয়া ছয় মুখ মেলি দিয়ে তেতিয়া ভাত খাবা এৰি কঁপিব ধৰোঁ। মোৰ, কঁপনি দেখিলে সি হাঁহে; মোৰ বেছি ভয় লাগে। পেটাল গণেশটো আৰু তুষ্ট, সি চাৰিহাতে ভৰ ভৰাই মুখত স্থমাই দিয়ে। কাৰ্ত্তিকৰ পিছ পিনে দি শুঁড় ডাল মেলি দি মোৰ পিঠি খানত পিহি দিয়ে আৰু কয় "খা ভাই খা"। ভয়তে মোৰ গাল মুখ, নাক, কাণ ৰঙা পৰি যায়। মনে মনে ভাবো ই মোক শুঁড়েৰে মেৰাই নি আফাল মাৰি মাৰে নে, মুখত স্থমাই দিয়ে। ভয়ত তত নাই। চিঞৰি বাখৰি মাকক কৈ দিলো। মাকে তেনে ধেমালি কৰিবা আৰু চকু খুৱাবা হাক দিলে। কিন্তু মাক ভিতৰক গলেই তুয়ো মোক নানাদৰে জোকায় আৰু কুতুৰ্থনা কৰে।

খাবা খোজা ভাতৰ গৰাহ হাততে থাকে। কেতিয়াবা খাবা খোজা মুখ মেল খাই থাকে। কি কৰিম, কোনো-মতে কেই গৰাহ মান খাই উঠিলোঁ।

ঘৰ খানৰ কাজিয়াত মহাদেৱৰ লগত একো কথা বাৰ্ত্তা হবাই নৰিলো। সোথা তোলা ভাং খিনিও বাবাক দিবা নৰিলো। আমাৰ গোঁসাই ঘৰতে আগবঢ়াই দিম বুলি লগৰ বস্তু লগতে ঘূৰাই লৈ আহিলোঁ। কাৰ্ত্তিক আৰু গণেশৰ ভয়ত শিবপুৰী এৰিবৰ তত্ নাপালোঁ। জীৱনটো লৈ কোনোমতে শিৱপুৰী এৰি পলালোঁ।

পুনঃ পৃথিবীৰ সীমা পাই মনত হল কাকো সুধি মিলি বিষ্ণুলোকক যাওঁ। ভাবি চিন্তি থাকোতে এক জন ভদ্ৰলোক দেখিলোঁ, তেওঁকে সুধি বিষ্ণু লোকলৈ গতি কৰিলোঁ।

ইয়ালৈ যাওৱা বাট পথবোৰ অলপ আহল বহল আৰু পৰিষ্কাৰ। দাঁতিয়ে কাষৰে ভদ্ৰলোকবো বাসস্থান আছে। দোকান পচাৰো আছে। কিন্তু মদৰ দোকান নাই। চাহ, চিগাৰেট আদিও কোনো দোকানতে নাই। মদং চাহং চিগাৰেটং বিনা ন জীৱন্তি মম জীবনং। ইপিনে যান বাহানো একো নাই। তথাপি মানুহ বোৰ কিছু সভা খাপৰ যেন লাগিল। কপালত লিখা আছে খোজকঢ়া; মটৰ, বাগী আদিৰ কথা কলে বা সেইবোৰ বিচাৰিলে কি হব। বাটকুৰি বায়ে বিষ্ণুলোক ওলালোগৈ।

বিষ্ণুৰ বঙ্গলাৰ মুখত থিয় দিওতেই দুই বীৰ পুৰুষ গদা

হস্তে আগমন কৰি মোক আগ ভেটি ধৰি পৰিচয় সুধিলে। মোৰ সেই ব্ৰহ্মলোকতে মুখাস্থ কৰা চিনাকীটোকে দিলো। আগৰ দুই থাইলৈ গৈ মোৰ কিছু সাহ বাঢ়িছে। বিশেষকৈ বিষ্ণুলোকত মৰিলে বৰ সুখত থাকিবা পাৰিম বুলি ভাবি, ভয় ভীত এৰি, বুকুত ভোলা বাগুনা বান্ধি বীৰ দুই জনৰো পৰিচয় ললো। জানিবা পাৰিলো সিহঁতৰ নাম জয়, বিজয়। বিষ্ণুৰ দুৱৰী, শৰীৰ আৰু পুৰীৰক্ষক। মই বত্ৰিশটাৰ ষোলটামান উলিয়াই কলো— আমাৰ সিপিনে আপোনালোকৰ নাম ধাম সকলোৱে জানে। জানা শুনা লোক যেতিয়া আপোনালোকে মোক বিষ্ণুৰ লগত সাক্ষাৎ কৰাই এই ফেৰি উপকাৰ কৰক। তেওঁলোকে বিষ্ণু ঘৰত নাই বুলি কলে। কিন্তু থাকি-বাৰ থাই আৰু খাবাৰ দিহা কৰি দিলে। মোৰ ভাগৰ লাগিছিল। খাই বই ঘুমটিত পৰিলোঁ। বিষ্ণু ৰাতি আহিল নে নাই, কিবা খালে নে নাই একোকে কবা নৰিলোঁ। ৰাতি পুৱাল। মইও সাৰি পালো। কাণ মূৰ জোকাৰি উঠিলো। চকু মুখ পিহি বাহিৰলৈ গল মেলি চালো, দেখিলোঁ। বিষ্ণু ত্ৰিভঙ্গিম মূৰ্ত্তি ধৰি বঙ্গলাৰ দুৱাৰ মুখত। জানিবা পাৰিলোঁ এওঁৰ ঘৈণীয়েক দুজনী। এক জনীৰ নাম লক্ষ্মী আৰু অন্য জনীৰ নাম সৰস্বতী। সৰস্বতী বৰ দঙ্কুলী। ৰাতি পুৱাতে সতীনেকৰ লগত দন্ধ পাতি দিছে। ছুট, ছুটি, ভট, ভটিত লক্ষ্মীক ছিতকাই দিবা খোজে। গিৰিয়েক আহা শুনি দুইয়ো সতিনীয়েকে

বঙ্গলাৰ আগচ্ছেলীয়াত দন্ধ পাতি লৈছে। নাচানে বাগানে চিঞৰে বাখৰে ঘৰ খান খলক লগাই দিছে। বঙ্গলাৰ চাৰিও ফালে কিছুমান মানুহ থিয় হৈ থাকা দেখিলো। সিহঁতৰ প্ৰত্যেকটোৱে বিষ্ণুৰ আগত গোচৰ দিবা ধৰিছে। কোনোৱে কৈছে লক্ষ্মী আইয়ে মোক সৰ্ব্বনাশ কৰিলে! মই কালি অতুল ঐশ্বৰ্য্যৰ অধিপতি আছিলো। মোৰ ঘৰত নাখাটা আছিল কোন? লক্ষ্মী আইক ইমান আদাৰ সাদাৰ সেৱা ভক্তি কৰি আছিলো তথাপি মোক পথৰ ভিখাৰী কৰিলে। তেওঁ কেতিয়া কাক কি কৰে বুজিবাই নৰি। ইয়াক এৰি তাক ধৰা এনে চঞ্চলা তিৰী আমি কতো দেখা নাই। প্ৰভুৱে এটা বিচাৰ নকৰিলে গৰিপ নিগমে মৰিলোঁ। কোনোৱে কৈছে সৰস্বতী জনীহে মোক খালে। ভাই বনীৰ লগত দন্ধ লগাই ৰং চাইছে। কোনোৱে কৈছে নকবি ভাই, অমুক তমুকৰ লগত দন্ধ লগাই মোৰ ঘৰ খানত সুখ শান্তি নাইকিয়া কৰি তুলিছে। এওঁ কাকো কাষো লগত মিলে থাকিবা নিদিয়ে। সতিনীয়েকৰ লগত দন্ধ শুনছোন। এনেমুখৰা তিৰী লৈ বিষ্ণু আছে কেনেকৈ। প্ৰভুকে কৈছো কি কৰে এটা বিচাৰ কৰক। ইত্যাদি, ইত্যাদি। ইয়াৰ পাছত দেখিলো সুন্দৰ ধুন-পেছ মৰা, হাতত ধনু লোৱা চাই থাকো চাই থাকো চেহেৰাৰ, ধুনীয়া ডেকা এটা লৰি ধাপৰি বিষ্ণুৰ বঙ্গলাৰ ফালে সুমাই আহিবা ধৰিছে। কিছুমান মানুহে হৈ হৈ, ৰৈ ৰৈ লগাই হাঁহাকাৰ কৰি

পাছে পাছে খেদি আহিছে। মই জয় বিজয়ক সুধি পৰিচয় পালো যে সেই মূৰ্ত্তিমান ডেকাটি বিষ্ণুৰে সৎপুত্ৰ! তেওঁ কুল প্ৰদীপ হৈ উঠিছে। তেওঁৰ নাম কামদেৱ বা মন্মথ। খেদি আহা মানুহবোৰে বিষ্ণুক গোচৰ দিলে—"প্ৰভো! আপোনাৰ পুত্ৰৰ অত্যাচাৰত থাকিবা নৰি। ইয়াৰ গাভৰু ছোৱালী জোকাইছে। তাৰ ডেকা লৰাক জোকাইছে। ডেকা ডেকেৰী লগ কৰি নাচাই বাগাই হাবিয়ে বননিয়ে স্ফূৰ্ত্তি কৰি লৈ ফুৰাইছে। ইয়াক লগাই তাৰ ঘৰৰ তুৱাৰ হেচাইছে, তাৰ বেৰা ভঙ্গাইছে। ডেকা লগাই গাভৰু চুৰি কৰাইছে। ডেকা গাভৰুটো বাহিৰক ওলাবাই নাৰে. ঘৰৰ ভিতৰতো ৰক্ষা নাপায। ডেকা গাভৰুৰ উপৰত অত্যাচাৰ কৰি সন্তুষ্ট নহৈ আধ বয়সীয়া আৰু বুঢ়া বুঢ়ীকো শুধাই এৰা নাই' এনে হলে আমি থাকো কেনেকৈ। আপুনি কি দিহা দিয়ে দিয়ক, এটা কিবা কৰক। এই দগধাটোক শাসন কৰাৰ একো এটা উপায় উলিয়াওক।

বিষ্ণু বোলে ৰাতি ঘৰক আহাত লক্ষ্মী আৰু সৰস্বতীৰ এক জাকৰি দন্ধ গৈছে। ৰাতি ঘৰত নাথাকি সাগৰৰ মাজত শহুৰেকৰ ঘৰত শুই আছিল। তাত হেনো 'অনন্ত নাগে সহস্ৰ ফনা মেলি তেওঁক ডাঙ্গি ধৰি আছিল। অনন্তে বোলে মন্ত্ৰ জপি হিচ্ হিচ্ কৰি থাকে। সাপৰ ভয়ত ৰাতি বিষ্ণুৰ টুপনি নহল। ঘৈণীয়েকৰ উপৰত খং কৰি গৈ লাজতে উলটিও নাহিল।

ৰাতি টুপনি খাটি পুৰা ঘৈণীয়েক ডুজনীৰ লৰা ধপৰা, ধুমাৰ্জ্জয় দন্ধ। ঘৈণীয়েক আৰু পুতেকৰ বিৰুদ্ধে প্ৰজাৰ উপৰা উপৰি গোচৰ। বিষ্ণু বিমোৰত পৰিল। ঘৰতো নুসুমাল, কাকো একো উত্তৰো নিদিলে। ভাবি চিন্তি শুখাই যাবা ধৰিলে। তাৰ পৰা সাগৰৰ পাৰৰ ফালে গুচি গল। শুখাই শুখাই এনাই হেন পুৰুষটো এক ডাল গাছ হল। সাগৰৰ পানীত পৰি কৰবালৈ উটি ভাহি গল।

বিষ্ণুৰ ডুৰ্গতি দেখি মোৰ মনত কিবা কিবি খন লাগিল। বিষ্ণু লোকৰ সুখ উপভোগ নকৰো বুলি ভাবিলো। নাখাই নলই গুচি আহিলো। আহাতে উড়িষ্যাৰ মাজেদি আহিলো। শুনিলো সেই গাছডাল উৰিষ্যাৰ ৰাজাই সাগৰৰ পৰা ধৰি আনিছে আৰু বিশ্বকৰ্ম্মাক লগাই দি পুৰীত জগন্নাথ মূৰ্ত্তি কৰি স্থাপন কৰিছে। বহুদিন হল। ঘৰৰ তিৰী চলি আদিলৈ মনত পৰিল। পুৰীত নুসুমালো। গুচি আহিলো।

ব্ৰহ্মা-বিষ্ণু মহাদেৱ প্ৰভৃতিৰ হাত আৰু মুখৰ বৰ গণ্ডগোল। কোনোটোৰে কাৰো লগত মিল নাই। এওঁলোকৰ নমুনা আমাৰ পৃথিবীত নাই। ব্ৰহ্মা—চতুৰ্মুখ। বিষ্ণু—চতুৰ্ভুজ। মহাদেৱ—পঞ্চানন, ত্ৰিলোচন। গণেশ পেটাল, চতুৰ্ভুজ অৰু গজমূৰা। কাৰ্ত্তিক ষড়ানন। ডুৰ্গা দশভুজা। এওঁলোকৰ ভিতৰত হাতমুখৰ সংখ্যা মহাদেৱৰ ঘৰতে বেছি। কাৰ হাতে কাক ধৰে, কোন মুখে কি কয় আৰু খায় ভু ভটং ধৰাই টান।

——§✱❋✱§——

## এটি হাঁহি।

এক ঠাইত তিনিজন সৰ্ব্ব সুলক্ষনীয়া পুৰুষ আছিল। সিহঁতৰ এটা কলা, এটা বোবা অৰু এটা অন্ধ। অন্ধটোৰ আছিল আখান উলটা গামোছা।

(সেই) উলটা গামোছাত তিনটা টকা।

এটা কেচা, এট পকা, এটাৰ মোহৰ নাই।
মোহৰ নহওৱা যিটো।
হাটক নিলে সিটো।
হাটৰ পৰা আনিলে তিন্‌টা ছাগল।
এটা খোড়া, এটা কোঙ্গা, এটাৰ নাই গল।
গল নোহোৱা যিটো।
হীড়া পাড়াক নিলে সিটো।
হীড়াৰ পৰা আনিলে, তিন্‌টা চৰু।
এটা ফালা, এটা ফুটা, এটাৰ তলাই নাই
তলা নহৱা যিটো।
জাস্কা বহালে সিটো।
মাংস সোপা গল, জোল 'টুপি বল।
তিনিও বহিল খাবা।

অন্ধই খুজিলে।
কলাই দিলে।
বোবাই খালে।
পেট ভৰিল কাৰ কথা নকিলে।
জিভাত লাগিল যাৰ।
সোৱাদ নাই তাৰ।
তাৰ পাছত থাকিল, তিনিও শুই।
(এনেতে)পূবৰ ফালে চোৰে চুৰ কৰিলে।
পশ্চিমৰ ফালে খেদা মাৰিলে।
বাঙ্কা খান পিন্ধি. পানী গামোছাখান
মেলা মাৰিলে।
বুবাই কুবাই কৰিলে জোপা।
পৰায়ে উঠি চাই এটা বৰ বিৰিনাৰ চোপা।

উপসংহাৰ ঃ—নলৰ আগ চিচা।
সকল কথাই মিছা।
তামোলে মেলিলে ডাবি।
কোন কোন ফালে যাবি॥

—ইত্যানন্তঃ।

## চিকিৎসা।

এজন কবিৰাজ আছিল। তেওঁৰ বয়স ভাটি দিলে। কবিৰাজী কৰিয়েই তেওঁ বুঢ়া হল। এই বিদ্যাখান তেওঁৰ বাপতীয়া সাহন। চিকিৎসা বিদ্যাত

তেওঁক সিদ্ধ হস্ত বুলিলেও অত্যুক্তি নহব। কিন্তু ডুখৰ কথা কোনোৱে চিনিবা নৰা বেমাৰত তেওঁৰ পৰিয়াল বৰ্গ ধ্বংস হল। কবিৰাজেনো কি কৰিব, নিজৰ ঔষধ নিজৰ ঘৰত নফলিয়াই। এতিয়া কবিৰাজৰ নিজৰ বুলিবলৈ কোনো নাই। বিদ্যাটো কাক শিকায়!

তেওঁৰ এক জন দূৰ সম্বন্ধীয় ভাগিনাক আছিল। তাকেই বিদ্যা ফেৰি শিখাই যাবা ইচ্ছা কৰিলে। ভাগীনাকক আনি লগতে ৰাখিলে। কোনো ঠাইত চিকিৎসা কৰিবা গলেও লগত লৈ যায়। বেমাৰীৰ হাতত ধৰি নাৰী পৰীক্ষা কৰিবা শিখায়। মোমায়েকে যি বোৰ কথা কয় ভাগীনাকৰ বিদ্যা বুদ্ধিয়ে সিমান খিনি চুকি নাপায়। তথাপি কোনো দিনে কোনো কথা নুবুজা বুলি ডুনাই সুধি মোমায়েকক বিৰক্ত নকৰে।

এক দিন মোমায়েকে একজন মানুহৰ নাৰী পৰীক্ষা কৰি কলে—'বেমাৰী বৰ ডুৰ্ব্বল"। ভাগিনাকেও চালে। বেমাৰী জনৰ ঘৈণীয়েকে সুধিলে 'বেমাৰী কেনে দেখিলে"? ন শিখাৰু জনেও মোমায়েকৰ কথাকে কলে। ঘূৰি আহাতে বাটত ভাগিনাকে সুধিলে—মোমা, বেমাৰীৰ নাৰী দেখো দ্ৰুত আৰু পূৰ্ণ; আপুনি কেনেকৈ বেমাৰীক ডুৰ্ব্বল বুলি কলে। মোমায়েকে একেআষাৰ কথাতে উত্তৰ দিলে "ডুৰ্ব্বলে সবলা নাৰী"। ভাগিনাকে কথা খিনি মুখাস্ত কৰি মনত ৰাখিলে। আৰু এক দিন মোমায়েকে বেমাৰী পৰীক্ষা কৰি কলে যে বেমাৰীয়ে বাঙনা

পোৰা অপেধ খাইছে সেই নিমিত্তে জৰ এৰা নাই। সেই দিনা খানো ভাগিনাকে সুধিলে যে বাঙনা পোৰা খাব্বা কথা কেনেকৈ জানিলে। মোমায়েকে বুজাই কলে "বাপা, কেবল নাৰী চালেই নহয়, বেমাৰীৰ আকৃতি প্ৰকৃতি, ভাব ভঙ্গি, ওচৰ কাষৰ, শেতেলি শুতলা সকলোকে চাবা লাগে। বেমাৰীৰ বিছনাৰ কাষত জুইশালৰ ওচৰতে পোৰা বাঙনাৰ ঠাৰি পৰি আছে। বেমাৰীৰ ঘৰত অন্যে ভাত খাব্বা সম্ভব নহয়। গতিকে বেমাৰী খাব্বা বুলি ধৰি লৈছোঁ। আৰু বেমাৰীয়েও সেই কথা স্বীকাৰ কৰিছে। শিখাৰু কবিৰাজে কথাটো ভালদৰে মনত ৰাখিলে। বহুদিন চিকিৎসকৰ লগত থাকি দেখিলে যে প্ৰায় বেমাৰতে বুঢ়া কবিৰাজে জুলাপৰ ঔষধ দিয়ে। এক দিন তাৰ কাৰণ সোধাত বুঢ়াই কলে "বাপা, জুলাপৰ ঔষধ দি পেট পৰিষ্কাৰ কৰাই ললে বহু বেমাৰ এনাই ভাল হয়; নহলেও অন্য ঔষধে ভালদৰে ক্ৰিয়া কৰিবা সুচল পায়। এই তিনিটা কথাকে তেওঁ মোমায়েকৰ পৰা ভাল দৰে শিখি ললে। তাৰ পাচত মোমায়েক মৰিল। অন্যান্য ঔষধ পাতি যদিও তেওঁ হাতেৰে লাৰা চাৰা কৰিছিল তথাপি সেই বোৰৰ বিষয় বিশেষ একো শিখিবা নৰিলে। এই ব্ৰহ্মাস্ত্ৰ তিন পাতকে লৈ তেওঁ কবিৰাজ হৈ ওলাল।

একদিন ডেকা মানুহ এক জনৰ বেমাৰ চাবা নতুন কবিৰাজক মাতিলে। ডেকা জন বেছ মোটা ফোটা আছিল। কিন্তু বেমাৰে তেওঁক এনেদৰে পীড়িলে যে

তেওঁ শেতেলিৰ পৰা উঠিবাই নৰে। কবিৰাজে নাৰী পৰীক্ষা কৰি সুধিলে যে বেমাৰীয়ে বিয়া কৰাইছে নে নাই। দৰ্শক সকলে কৰাইছে বুলি কলে। কবিৰাজে ঘৈণীয়েক জনীক বেমাৰীৰ ওচৰলৈ অনিবা কলে। তেওঁ বেমাৰীৰ ওচৰলৈ আহিল কিন্তু কবিৰাজক গিৰিয়েকৰ বেমাৰৰ বিষয় একো প্ৰশ্ন নকৰিলে। কবিৰাজৰ মোমায়েকক বেমাৰীৰ ঘৈণীয়েক বিলাকে ভাল বেয়া কথা সুধিছিল কিন্তু তেওঁক নোসোধাত তেওঁ বেজাৰ পালে। তেওঁৰ মনত পৰিল "দুৰ্ব্বলে সবলা নাৰী।" বেমাৰী জনৰ ঘৈণী-য়েক জনী বলবতী বুলিহে বেমাৰী দুৰ্ব্বল হৈছে। এইদৰে ভাবি ঘৈণীয়েকৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চালে। ঘৈণীয়েক জনী গাভৰু। তেজ পানী ফুটো ফুটো। শকত আৱত। কবিৰাজে সেই যুৱতী জনীৰ চুলিত পাক মাৰি ধৰি ভৰিৰ পৰা ছতি জুতা সোলোকাই চপাং চপাং কৰি গালত কুবাবা ধৰিলে। তিৰী জনী চিঞঁৰি বাখৰি হাউ হাউ কৰি কান্দিবা ধৰিলে। ঘৈনীয়েকৰ আৰ্ত্তনাদ শুনি বেমাৰী সহিবা নৰা হল। শেতেলিৰ পৰা উঠি কবিৰাজৰ হাতত ধৰি কলে "কবিৰাজ মহাশয়, মোক চিকিৎসা কৰিবা নালাগে, মই ভাল হৈছো আৰু নামাৰিব"। কবিৰাজে কলে, চাৱা, যদি কিবা দোষ আছে, তেন্তে আৰু দুই চাৰি কুব বহাও। আমাৰ মোমাই শিকাই গৈছে বোলে—দুৰ্ব্বলে সবলানাৰী। তোমাৰ নাৰী সবলা। এওঁক যিমানেই পিটিম; এওঁ সিমানেই দুৰ্ব্বল হব আৰু

তুমি বল পাই উঠিবা । বেমাৰীয়ে সম্পুর্ণ আৰোগ্য হ্বা বুলি স্বীকাৰ কৰিলে আৰু দৰ্শক সকলে উঠিবা নৰা বেমাৰী থিয় হৈ কবিৰাজৰ হাতত ধৰি টানা টানি কৰা দেখিলে। কবিৰাজ দৰ্শনী লৈ গুচি গল।

একদিন পূজাৰী ঠাকুৰ একজনৰ বেমাৰ চাবা কবিৰাজক মাতিলে। কবিৰাজে নাৰী পৰীক্ষা কৰি একো বুজিবা নৰি ইফালে সিফালে চাবা ধৰিলে। ওচৰত একো বস্তু নাই। ভালেখিনি সময়ৰ মূৰত চখুত পৰিল বিছনাৰ ওচৰত পৰি থাকা এক ডাল গৰু বান্ধা পাঘা আৰু বেৰাৰ সৰঙাই দি ওলাই থাকা মেকুৰি এটাৰ মূৰ আৰু গাৰ আধা। কবিৰাজে কলে "বেমাৰীয়ে গৰুৰ মঙ্গহ আৰু মেকুৰীৰ লেজ অপেধ খাইছে। সেই নিমিত্তে জ্বৰ এৰা নাই। মই জুলাপ দি ভাল কৰিবা পাৰিম"। পূজাৰী দেউ সাত্ত্বিক ব্ৰাহ্মণ। গৰুৰ মঙ্গহ আৰু মেকুৰীৰ লেজ খাওৱা বুলি কওৱাত বৰ খঙ উঠিল। ৰাম বিষ্ণু স্মৰণ কৰিলে। কবিৰাজে ঔযধ উলিয়াইছিল কিন্তু বেমাৰীয়ে ঔযধ নাখাই খঙৰ জালত বাহিৰলৈ ওলাই আহিল আৰু আৰোগ্য হ্বা বুলি কলে। ঔষধ খাবাই নালাগিল, গোন্ধতে বেমাৰীয়ে ভাল পালে বুলি কৈ কবিৰাজে দৰ্শনী লৈ গুচি আহিল।

একদিন কবিৰাজৰ বন্ধু একজনৰ বৰ মৰমৰ গাই এক জনী হৰাইছিল। সি চাৰিওফালে বিচাৰি কতো নাপালে। ঘৰলৈ ঘূৰি আহোতে কবিৰাজ মহাশয়ৰ

লগত বাটতে দেখা হল। ভাল বেয়া কুশল বাত্তৰা সোধাৰ পাচত গৰু হেৰোৱা কথাটো শুনালে। কবিৰাজে বিনা পয়চাই বন্ধু জনক জুলাপৰ ঔষধ একপালি দিলে আৰু ঔষধ পালিৰ নানা গুণ বৰ্ণনা কৰিলে। কবিৰাজৰ উপদেশ মতে বন্ধু জনে ফিৰা দিনা পুৱা ঔষধ পালি খালে। ঔষধ খোৱাৰ আধা ঘণ্টামান পিছৰ পৰা তেওঁৰ শৌচৰ বেগ আৰম্ভ হল। ঘনে ঘনে বাড়ীৰ পাছ ফালে শৌচ কৰিবা যায় আৰু আহে, যায় আৰু আহে। চকা পাতত বহাৰ অলপ আগতে গাই জনী শৌচকৰা থাইলৈ আহি গু খাবা ধৰিলে। গৰাকীয়ে শৌচ কৰিবা যাওতে তাইক দেখি খেদি আনিলে। গৰু জনী পাৱাত তাৰ মনত আনন্দ হল। হাগাতে হাগাতে অণ্ঠ কণ্ঠ শুখাই গৈ বৰ পিয়াহ লাগিল। গধূলি টেঙা আৰু দৈ গাখীৰেৰে পেট ভৰাই ভাত খালে। শৌচ বন্ধ হল। তাৰ জীৱনটো ৰক্ষা পৰিল।

পিছ দিনা পুৱা সি কৈ ফুৰিলে যে তাৰ বন্ধু কবিৰাজৰ ঔষধৰ বৰ গুণ। হাগিবা লাগে সঁচা কিন্তু কিন্তু হাগিলেনে কি হব! মইও ঔষধ খাই ভাল হাগানে হাগিলো কিন্তু গৰুজনী পালোঁ! ঔষধৰ গোন্ধত গৰু জনী শুঙি শুঙি মই হাগা থাইতে ওলাল আহি। এই কথা চাৰিওফালে বিয়পি পৰিল। লাহে লাহে অলু কাণে পছু কণে কথাটো ৰাণীৰ কাণত পৰিলগৈ।

ৰাণীৰ দুখৰ পাৰকুল নাই। ৰাজাই একজনী

নকৈ বিয়া কৰাইছে। সেই জনীৰে সৈতে খায়, থাকে, হাঁহে-মাতে, কথাপাতে আৰু ধেমালি ধুমুলা কৰে। বৰ ৰাণীৰ পাছায় এৰিছে। কেতিয়াবা হঠাৎ দেখিলেও ৰাজাই তেওঁক নেদেখা ভাও ধৰি নামাতাকৈ গুচি যায়। বৰ ৰাণী অট্টালিকাত থাকে, ৰাজভোগ খায়, কোনো বস্তু বেহেনিৰ অভাব নাই কিন্তু স্বামীসোহাগৰপৰা বঞ্চিত। স্বামীৰ আদৰ পাবাৰ নিমিত্তে তেওঁ নথৈ চেষ্টা কৰিছে। কত মন্ত্ৰ পাতি কৰিছে, ঔষধ আনি ৰাজপুৰী ভৰাই ফেলাইছে, কত ঔষধ ঘুহিছে, কত পুতিছে, কত খুহিছে, কিমান টকা পয়চা খৰচ কৰিছে, দেৱ দেবীৰ পূজা সেৱা কৰিছে, কতো একো গুণ নাই। তন্ত্ৰ-মন্ত্ৰ, দেশ-কাল পাত্ৰ, ঔষধ পাতি পূজা আৰাধনা সকলো নিস্ফল। ৰাজাৰ মনটো ৰাণীৰ ফালে ঢাল খুৱাবা পৰা নাই। ৰাজ্যৰ সকলো বস্তুৰ অধিনেত্ৰী হৈও সংসাৰখান তেওঁৰ পক্ষে বিষতুল্য হৈছে।

গৰু হৰালেও গৰু পাৱা ঔষধৰ নাম শুনি ৰাণীৰ মনটো উচপ খাই উঠিল। মানুহ দুনুহ লগাই কবিৰাজক মাতাই আনিলে। অন্তেষপুৰলৈ মাতি নি বিশ্বাসতে নিজৰ দুখৰ কাহিনী খিনি ফাচ-ফুচকৈ কলে আৰু এক পালি ভাল ঔষধ দিবা অনুৰোধ কৰিলে। দৰ্শনী হিচাবে কবিৰাজক তেতিয়াই ৫০৲ পঞ্চাশ টকা দি কলে যে ঔষধে গুণ কৰিলে ইয়াৰ উপৰিও ১০০০৲ হাজাৰ টকা পুৰস্কাৰ পাব। কবিৰাজ মহাশয় মাহেকতো

৫০৲ টকা নাপায়। ৰাণীয়ে কয় দৰ্শনীৰ উপৰিও ১০০০৲ টকা পুৰস্কাৰ। লোভ সামৰিবা নৰা কথা। তৎক্ষণাৎ জোলোঙা খুলি চতুৰ্গুণ মাত্ৰাই জুলাপৰ ঔষধ একপালি দি ৰাণীক অভয় দান দি কলে যে নিশ্চয় তেওঁৰ ঔষধে বেমাৰৰ আলু তুলিব।

পিছ দিনা ৰাণীয়ে কবিৰাজৰ উপদেশমতে শুধা পেটতে ঔষধ খালে। ঔষধ বৰ চোখা। খাৱাৰ ৬।১০ মিনিট পাছতে তেওঁৰ শৌচৰ বেগ হল। পায়খানা আৰু ঘৰ লগাই দিলে। ১০।১১ বজালৈ ৰাণী উঠিবা নৰা হল। গুই মৃতে শেতেলি-শুতলাই কাপুৰ কানি সকলো একেজানি হৈ উঠিল। হাত ভৰি টানা টানি লগালে। জহনী বেমাৰৰ সম্পূৰ্ণ লক্ষণ দেখা দিলে। ৰাজপুৰীত আৰু বাহিৰতো টো উঠিল ৰাণীৰ গা-বৰেনি ধৰিছে। কথাটো ৰাজাৰ কাণত পৰিল কিন্তু ৰাজা ৰাণীৰ কাষক নাহিল। ৰাজধানীৰ ডাক্তাৰ কবিৰাজ সকলে চিকিৎসা কৰিছেহে কৰিছে কিন্তু বেমাৰৰ অলপো সকাহ নাই। ৰাণীৰ দুৰাৱস্থাৰ কথা শুনি আমাৰ কবিৰাজ মহাশয় ত্ৰাহি মধুসুদন স্মৰি দেশ এৰি ছত্ৰ ভঙ্গ দিলে।

ৰাণীৰ মাত খেহ-খেহীয়া হৈছে। খৰ উহনি ধৰিছে। মৃত্যুকাল উপস্থিত। ডাঙৰ ডাঙৰ ডাক্তৰ কবিৰাজ সকলে ৰাজাক কথাটো জানালেগৈ। ৰাজাৰ মনটো ঘূৰিল। মৃত্যু কালত ৰাণীক চাবাৰ ইচ্ছা হল। সৰু ৰাণীৰে সৈতে বেমাৰীৰ ওচৰক আহিল। ধৰ্ম্ম পত্নীৰ

অৱস্থা দেখি মনত দুখ লাগিল। মৃত্যুকালতো ৰাণীৰ মুখত স্বামী-ভক্তিৰ, ৰাজৰাণীৰ সকলো চিহ্ন জিলিকিবা লাগিছে। ৰাজাই একবাৰ বৰ ৰাণীৰ, এক বাৰ সৰু ৰাণীৰ মুখৰ ফালে চাবা ধৰিলে। দুইৰো সৌন্দৰ্য্য আৰু লক্ষণ বিজাই চাই বৰ ৰাণীক সৰু ৰাণীতকৈ বহুগুণে ভাল দেখিলে। "হা মই কি কৰিছো" বুলি বৰ ৰাণীৰ গলত সাবটি ধৰিলে। ৰাণীৰ মৃত্যু অৱশ্যম্ভাবী স্থিৰ কৰি দৈ গাখীৰৰ মাখা আনি ৰাজাই নিজ হাতে ৰাণীৰ মুখত অগ্ৰা দিবা ধৰিলে। দৈ গাখীৰ খাবা পাই ৰাণী কিছু সুস্থ হল। চখু মেলি ৰাজাৰ ফালে চালে। স্বামীক ওচৰতে দেখি বেমাৰ চাৰি ভাগৰ তিনি ভাগ এনাই ভাল হল। বৰ পিয়াহ লাগিছে বুলি ৰাজাৰ ভৰিত ধৰি টেঙা পানী খুজিলে। ৰাজাই নিজ হাতে সুন্দৰ পুৰনি তেতেলি টেঙা গুলি খুৱালে। দৈ আৰু টেঙা মুখত পৰাত বেমাৰী ভালৰ ফালে আহিল। ভাত আদি পথ্য দিলে। ৰাণী উঠি বহিল। ভালকৈ জুলাপ হৈ যাৱাৰ পিছত ৰাণী নতুন তেজেৰে নতুন শ্ৰী ধৰি উঠিল। ৰাজাই সৰু ৰাণীৰ পাছা এৰিলে। দেহে কেহে বৰ ৰাণীক শপি দি তেওঁৰ কাষৰ পৰা নলৰাই হল। এতিয়া ৰাণীৰ কি সুখ কি আনন্দ তাক ৰাণীত বাজে বুজিব কোনে?

ৰাণীয়ে পতি-সুখ ঘূৰাই পালে। চিপাহি চণ্টাৰি লগাই কবিৰাজক বিচৰাই আনিলে। নানা আদাৰ সাদাৰ কৰি, ঔষধৰ গুণ প্ৰশংসা কৰি, খুৱাই-ধুৱাই বহুমূলীয়া

পাটৰ কাপুৰৰ পোছাকে সৈতে হাজাৰ টকা পুৰস্কাৰ দিলে। কবিৰাজ বং মনে ঘৰলৈ উলটিল।

এই হৈছে চিকিৎসাৰ মহিমা। জুলাপৰ ঔষধৰ গুণ।

মন কৰিব লগীয়া—বৰ্ত্তমান যুগৰ ডাক্তাৰ সকল এই কবিৰাজৰ বংশধৰ বুলি মনত ধৰে। তেওঁলোকে বেমাৰৰ নাম শুনা মাত্ৰেই জুলাপৰ ঔষধ দি পেট পৰিষ্কাৰ কৰাই লয়। অন্যান্য বিবেচনা পশ্চাৎহে।

—*§❁§*—

## নেশা।

প্ৰধান নেশা তিনি বিধ। মদ, আফিং অৰু ভাং। তিনিও নেশাৰ তিনটা বৰ ভাঙৰ গুণ আছে। তিনিও বিধেই খাওতাৰ অঙ্গ প্ৰত্যঙ্গ বিলাকৰ উপৰত কাৰ্য্য কৰে। চক্ষুৰ উপৰত নেশাৰ কি প্ৰভাৱ, নেশাৰ কুৰত দৃষ্টি শক্তি কেনেদৰে কোনফালে ঢাল লয় তাৰে কথাহে কওঁ।

ভাং—ইয়াৰ নেশাত খাওতা খোজ কাঢ়ি যাওতে সমুখৰ মাটিবোৰ চাপৰ চাপৰ দেখে। গতিকে তললৈ নামি যোৱা যেনকৈ খোজ কাঢ়ে।

আফিং—ইয়াৰ সম্পূৰ্ণ নেশা প্ৰাপ্ত সেৱকে আগ ফালৰ

মাটিবোৰ উচা. উচা বা চৰা চৰা দেখে। গতিকে উপ-ৰলৈ উঠিবা লাগে যেনকৈ খোজ দিয়ে।

মদ—ই বৰ ভাল নেশা। ইয়াৰ ভকত সকলে, সকলো থাইকে সমান দেখে। খাল, বাম, পানী-তুনি সবেই সমান বোধ হয়। সাধাৰণ মানুহে বৰ ডাঙৰ সকামত লৰা লৰিকৈ খোজ কাঢ়াৰ দৰে মদপী বিলাকে খাল পুখুৰীতো থৰকাচুটি নোহোৱাকৈ খোজ দিয়ে। কেতিয়াবা কোনো দ ঠাইত হামকৃৰি খাই পৰি হাত ভৰি ভাঙ্গিলেও পৰম আনন্দে ধৰাশায়িত হৈ হা কৰি মুখ মেলি বমি কৰি দি তাৰ উপৰত বাগৰি থাকে। আলাহ ঘিণ এৰো নাই, কিয়নো তেওঁ কেৱল থাই নহয় সকলোকে সমান দেখে।

শেষোক্ত নেশাই বৰ্ত্তমান সমাজত প্ৰশংসনীযা। ইয়াৰ সেৱকৰ মান আছে। ছাত্ৰ-বন্ধু সকল, তোমা-লোকে এই বোটলবাসিনী, মা সুৰেশ্বৰীৰ উপাসক হবা নুভুলিবা। অৱশ্যে তোমালোকৰ' বহুতেই ইয়াৰ ভক্ত। যি বিলাক গাঁৱলীয়া, হোজা চহা আছা, বোটল-বাসিনী মা গঙ্গাৰ মহিমা বুজা নাই বা তেওঁক ভজা নাই, সেই বিলাকেও সুৰেশ্বৰী-ভক্ত মহানুভৱ সকলক ইয়াৰ কাণ্ড কাৰখানা সুধি পুছি লৈ অচিৰাৎ তেওঁলোকৰ শাৰীত বহি যোৱা। একে শ্ৰেণীতে উঠা কথাটো সৰ্ব্ববাদী সম্মত। মোৰ এই সাৰুৱা উপদেশলৈ মন কাণ নিদিয়াকৈ নাথাকিবা।

## আঠ বাৰ।

১। ৰবিবাৰ, ২। সোমবাৰ, ৩। মঙ্গলবাৰ, ৪। বুধবাৰ, ৫। বৃহস্পতিবাৰ, ৬। শুক্রবাৰ, ৭। শনিবাৰ, ৮। সপৰিবাৰ।

ইত্যানন্তঃ।

## ১৪ $\frac{১}{২}$ মাহ।

১। বহাগ মাহ ২। জেঠ মাহ, ৩। আষাঢ় মাহ, ৪। শাওন মাহ ৫। ভাদ মাহ, ৬। আহিন মাহ, ৭। কাতি মাহ, ৮। আঘণ মাহ, ৯। পুহ মাহ, ১০। মাঘ মাহ, ১১। ফাগুণ মাহ, ১২। চত মাহ, ১৩। মল মাহ ১৪। আঞ্জাখোৱা মাহ, ১৪ $\frac{১}{২}$। বঙ্গলা মাহ।

বিশেষ টোকা—শেষৰ মাহটোত ১৪ $\frac{১}{২}$ নং কিয়নো ইযাক কোনোৱে মাহ, কোনোৱে কলাও বোলে গতিকে ইযাক মাজতে ৰাখি ১৪ $\frac{১}{২}$ নং দিয়া হৈছে। ১৫ নং দিলে সম্পূৰ্ণ মাহ হব। কলা নামটো তেনাই লোপ পাব।

—ইত্যানন্তঃ।

## বৰ্ত্তমান জাতি বিভাগ।

ব্ৰহ্মাই উড়ন, বুৰণ, গজন, ভ্ৰমণ চাৰিমুঠি জীৱ সৃষ্টি কৰি প্ৰত্যেকৰে জাতি বিভাগ কৰিলে। প্ৰত্যে-কৰে খাদ্যাদিও বেলেগ হল। উৰণ—এক বিধ চৰায়ে

যি আহাৰ খায় অন্যবিধে তাক নাখায়। বুৰণবো একৰ খাদ্য অন্যৰ অখাদ্য। গজনৰ জ্বালা, কহা, টেঙা, মিঠা, তিতা আদি আস্বাদৰ পৰা জানিবা পাৰি যে সিহঁতৰো খাদ্য বেলেগ। এইবিলাকৰ খাদ্যৰ পৰা জাতি অৰু জাতিৰ পৰা খাদ্যাদি জানিবা পাৰি। ভ্ৰমণ কাৰী জ্বীৱৰ জন্তাদিৰ আচাৰ বিচাৰ খাদ্যাখাদ্য সকলোৰে জানা শুনা। মনুষ্যাৰ ভিতৰত জাতিবিভাগতো বৰ বেছি। এক দেশৰ আচাৰ ব্যৱহাৰ, ৰীতি-নীতি অন্যদেশৰ লগত অমিল। জাতো সেইদৰে অমিল। দেশৰ ভিতৰত গুণ, কৰ্ম্ম, বিদ্যা বুদ্ধি অনুসৰি জাতি বিভাগ চলি আহিছে। কোন জাতিয়ে কাৰ উপৰত কি ভাবে ৰাজত্ব কৰিছে, সেইবিষয় বিশেষ আলোচনা আৰু সমালোচনা হবা ধৰিছে। কোনে কাৰ উপৰত প্ৰাধান্য স্থাপন কৰিবা পাৰে তাৰ এতিয়াও একো মীমাংসা হৱা নাই। কেৱল আলোড়ন বিলোড়ন চলিছে।

এই আলোড়ন বিলোড়নৰ লগে লগে জ্ঞাতে বা অজ্ঞাতে সকলো জাতিৰে ঐক্যতা স্থাপনৰ উপক্ৰম হৈছে। আগৰ দিনৰ নিচিনাকৈ আজি কালিও গুণকৰ্ম্ম-বিভাগশঃ—গুণ আৰু কৰ্ম্মঅনুসৰি জাতি গঠন হৈছে। হোজা চহা মানুহ বিলাক বৰ্ত্তমান কালৰ জাত লৈ বৰ বাস্ত নহয়, যি আছে তাক লৰ-চৰ কৰিবাৰ ইচ্ছা নকৰে। অলপ চখু ফুটা মানুহেহে এই কামকলাগি মন কৰা দেখা যায়।

বৰ্ত্তমান শিক্ষা আৰু সভ্যতা বিস্তাৰৰ লগে লগে

মানুহে মানুহে নাম কাঢ়ি মতা প্রথা উথি গইছে। পাশ্চাত্য সভ্যতাক অনুকৰণ কৰি মানুহৰ জাত ধৰিছে মাতে। এটা ব্যৱসায় অৱলম্বন কৰি সংসাৰত প্ৰৱেশ কৰিব পাৰিলেই কোনো এটা জাতত উথিবা পাৰে আৰু সেই ব্যৱসায়ী জাতৰ নামেই মানুহ জনাজাত হৈ উথে। বৰ্ত্তমান জাতিমালা এইদৰে ভাগ হবা ধৰিছে—মাষ্টাৰ, অভাৰচিয়াৰ, হাকিম, উকিল ইত্যাদি। কোনো এক জনে অন্য এক জনক মাতাত এই জাতৰ নাম ধৰিহে মাতে। সকলো জাতিৰ ঐক্যতা সাধনাৰ ভিত্তি হৈছে Educational caste বা শিক্ষিত সমাজ। এই শিক্ষিত সমাজৰ ব্যৱহাৰ সকলোৱে জানে। তাক উল্লেখ কৰাৰ একো আৱশ্যক নাই। জাতিমালা খনৰ আভাস দিয়া হল। ইচ্ছা কৰিলে কোনোৱে ইয়াক গঠন কৰি লিপিবদ্ধ কৰি লবা পাৰে।

এই জাতবিলাকৰ চৰকাৰী কাম কৰা সকলৰ ভিতৰত জাতৰ প্ৰাধান্যতা আপোনা আপুনি থিক হৈ আছে। বেচৰকাৰী সকলৰ ভিতৰত প্ৰাধান্যতাৰ একো থিৰ হোৱা নাই। দেখা যাওক কোনে কোন খোপত উঠে।

—ঃ০ঃ—

## মোৰ চিকিৎসা।

মোৰ পানা লাগি বৰকাহ হৈছিল। কাহো কাহ অদ্ভুত কাহ। উথাতে, বহাতে, হাঁহাতে, কথা কৱাতে খাৱা লৱা কৰাতে সকলোতে কেৱল কাহ, কাহ। কতো ঔষধ খালো, কতো ঘুহিলো, সেকিলো, পুৰিলো তথাপি বেমাৰৰ সকাহ

নপৰিল। উপায় বিহীন। বন্ধু-বান্ধৱে চৰকাৰী ডাক্তৰক দেখাই ঔষধ খাবা উপদেশ দিলে।

কথাটোই মোৰ গাত ধৰিলে। ডাক্তাৰখানাক গলো। তাত দেখিলো দুই জন ডাক্তাৰ। দুইয়োজন বঙ্গালী। এক জন ডাক্তৰে গাঁৱলীয়া ঔষধ নিবা আহা মানুহ বিলাকৰ আগত অৰ্দ্ধ বঙ্গ, অৰ্দ্ধ অসমীয়া ভাষাতে কথা পাতি বেমাৰৰ নাম সুধি পুছি ঔষধ লিখি দিবা ধৰিছে। এক জন মানুহে পেলুৰ ঔষধ খুজিলে। কিমান দিনৰপৰা পিলু হৈছে তাক ডাক্তৰে সুধিলে। ঔষধ নেওতা জনে বহু দিনৰপৰা হৱা বুলি কলে। ডাক্তৰে তেওঁক পিলাইৰ ঔষধ ছয় পালি লিখি দিলে। কম্পাউণ্ডাৰে তাকেই এটা চিচাত ভৰাই দিলে। ঔষধ খাই যিটো কুমৰাৰ মান ফল পাব তাক ৰোগীয়ে বুজিব। অন্য একজনে শৌচ হৱা নাই, পেট বিষাই বুলি ডাক্তৰক জনালে। ডাক্তৰে তাৰ পেটটো টিপা টিপি কৰি, জিভা খান চাই লিখি দিলে চিদলিটজ পাউদাৰ। ইয়াক খাৱা প্ৰণালীও ডাক্তৰে বুজাই দিলে। এটা সৰু গিলাচত কমটি পানী লৈ এটা ঔষধ গলাব। অন্যটো ডাঙৰ গিলাচ এটাত গলাব। তাৰ পাছত সৰু পানীতো, বৰ পানীত ঢালি লৈ, মিহলি কৰি খাব। মানুহ জনে সৰু পানীৰে বৰ পানী নাখাওঁ বুলি ডাক্তৰখানাৰ বাহিৰত ঔষধৰ টোপোলা দুটা পেলাই দি গুচি গল।

কথাবাতৰা আদিৰ পৰা জানিলো দুইয়ো জন ডাক্তৰ দুই জাতিৰ। একজন জাতত চাব এচিচটেণ্ট, চাৰজন

আৰু অন্য জন চব বিহীন অৰ্থাৎ তেওঁ এচিচট্যাণ্ট চাৰজন। কোন জাতীয় ডাক্তৰৰ পৰা ঔষধ নিও, মোৰ ঔষধ কোন জনে জানে। কথাটো সুধিবাও লাজ কৰিছো। নুসুধিলে নো ঔষধ পাও কেনেকৈ। উপায়ান্তৰ হৈ লাজ কাজ কাতি কৰি থৈ কলো—মোৰ কাহৰ বেমাৰ হৈছে, আপোনালোকৰ কোন জনে এই বেমাৰৰ ঔষধ জানে, মোক কেই পালিমান দিয়ক। চব এচিচট্যাণ্ট চাৰজন জনে সুধিলে—আপনি কি কায কৰেন, কি চান, কি বল্লেন, কথাটা ভাল কইৰা বোঝাইয়া বলেন। মোৰ চিনাকিটো দি মই কলো—মহাশয় আমাৰ কাহৰ বেমাৰ হইয়াছে অলপ দুই চাৰি পালি দাৱাই দেন। ডাক্তাৰ জনে সুধিলে আপনি ভাল বাংলা জানেন না ? মই উত্তৰ দিলো আমি ভাল বাংলা নাজানি কিন্তু মধ্য বাংলা জানি। ডাক্তৰে হাঁহি মাৰি সুধিলে মধ্য বাংলাটা কি ? মই কলো ভালো নহয় বেয়াও নহয় মাজামাজি। এই বিলাক সুধি মিলি এচিচট্যাণ্ট চাৰজনক দেখাই কলে—আপনি ঐখানে চলিয়া যান তিনি আপনাৰ ঔষধ দিবেন।

যথাজ্ঞা পালন কৰি মই এচিচট্যাণ্ট চাৰজনৰ কাষক গলো। তাত মানুহৰ সংখ্যা কম। দুই চাৰি জন ভদ্ৰগোছৰ মানুহ আছে। ডাক্তৰ বাবুই তেওঁলোকৰ লগত ইংৰাজী আৰু বঙ্গালী মিহাল কৰি কথা পাতিছে। মইও কাহৰ ইংৰাজী আৰু বাঙ্গলা কি ভাবিবা ধৰিলো। এনেতে ডাক্তৰে অৰ্দ্ধ বঙ্গ, অৰ্দ্ধ ইংৰাজী ভাষাতে মোকো কি লাগে বুলি সুধিলে। মই মধ্যবাংলা আৰু মধ্য-ইংৰাজীৰে উত্তৰ দিলো—আমাৰ গলায় বেনাৰেস (Benares) হইয়াছে Kindly (অনুগ্ৰহ কৰি) মোক কেই dose (পালি) মান দেৱাই দিয়ক। ডাক্তৰে মোৰ মুখৰ ফালে

চাই সুধিলে Benares (বেনাৰেস) বেমাৰটো কি ? মইতো কাহিয়ে আছো। ডাক্তৰে কলে আপনি ইংৰাজীও জানেন না বাংলাও জানেন না। হ্যা তবু বুঝছি, বুঝছি আপনাৰ কাসি (কাশী) হইয়াছে। মই কলো ডাক্তৰ বা ঐ word টাকে আমি ভয় কৰো। যি কলে, কলে আৰু নকব। কওতে গণ্ড গোল নহব পাৰে কিন্তু লিখাত Benares ৰ (বেনাৰসৰ) কৰ মুখটো ফাক কৰি লিখিলে সৰ্ব্বনাশ। ডাক্তাৰে সুধিলে এইটা আবাৰ কি বেৰাম? মই কলো সেই Benares ৰ (বেনাৰসৰ) কৰ মুখ ফাক। ডাক্তৰে কলে হ্যা বুঝছি, বুঝছি আপনি ফাঁসীৰ কথ বলছেন। তা হবেনা। মই কলো ডাক্তাৰ বাবু আপুনি মানুহ মাৰিবা লাইচেন্স পাইছে। মোৰ হৈছে গলৰ বেমাৰ। অপুনি যদি Benares ৰ (বেনাৰেসৰ) কৰ মুখ ফাক কৰি মোৰ গলত লগাই দিয়ে তেন্তে মোৰ উপায় কি ? ডাক্তৰে কলে এগুলি কিছুনা আপনি ভয় কৰবেন না। এই বুলি মোৰ মুখ খান হা কৰি মেলাই চালে কম্পাউণ্ডাৰ একজনক কলে—দেখহে অমুক একটা স্প্লিণ্টাৰ নিয়ে এস. উনাৰ গলায় লাগাইতে হইবে মই ভাবিলো কৰ মুখ ফাক নকৰি মোৰ মুখ ফাক কৰিছে গলত্তো স্প্লিণ্টাৰ লগাবা খুজিছে। স্প্লিণ্টাৰটো কাঠৰ কাঠেৰেই মানুহ ফাঁসী দিয়ে। ৰব থিক কথা নহয় মই লগাবা নিদিও। কম্পাউণ্ডাৰে স্প্লিণ্টাৰ লৈ আহি নাপাওতে ঘাগাৰ ফেলাও বুলি বাহিৰক আহি ডাক্তাৰে নদেখাকৈ টৌ টৌ কৰি বেগ দি ডাক্তাৰ খানাৰ পৰা গুচি অহিলো। মোৰ জীৱনটো সেই যাত্ৰাত ৰক্ষা পৰিল। কাহত কিছুদিন ভুগিলো। ভুগিলেনো কি হব জীৱনটোটো বাচালো।

Printed at the Jadoomani Printing Works.
by B. C. Goswami.
Golaghat, Assam.